# জীৱন, যন্ত্ৰণা আৰু নেপথ্যৰ এপৃষ্ঠা

উৎপল নাথ
সহকাৰী অধ্যাপক, অৰ্থনীতি বিভাগ

মহাভাৰতৰ বনপৰ্বত এযাৰ কথা আছে — 'সুখমা পতিতম মেৱেৎ, দুঃখমা পতিতং সহেৎ।' যদি জীৱনলৈ সুখ আহে তাক উপভোগ কৰা, যদি দুখ আহে তাক সহিবলৈ শিকা। দুখবোৰ হেলাৰঙে সহিবলৈ শিকাটো বোধহয় বৰ সহজ কথা নহয়। ইয়াৰ বাবে বোধহয় প্ৰয়োজন হ'ব নিৰন্তৰ সাধনাৰ- যি সাধনা মই আজিও আৰম্ভই কৰিব পৰা নাই ..........।

জীৱন মানে বাৰু কি? 'পিছফালে ঘোপমৰা আন্ধাৰ, সন্মুখত গভীৰ অৰণ্য' — বিষ্ণু সখাৰাম খাণ্ডেকাৰৰ 'যযাতি'য়ে কোৱা মতে এয়াই জীৱন। সচাঁনে বাৰু? জীৱনৰ পৰা মানুহে বাৰু কি বিচাৰে? সুখ-শান্তি! যশস্যা-খ্যাতি! জীৱনৰ বাটত পোৱা কিবা এটা সুখ যদি আন অগণৰ দুখৰ কাৰণ হৈ উঠে! যশস্যা-খ্যাতিৰ বিপৰীতে যদি পদে পদে পোৱা যায় নিন্দা-গ্লানি! হাঁহিৰ পৰিবৰ্তে যদি জীৱনলৈ নামি আহে বহুত কান্দোন! তেনেহ'লে জীৱনৰ অন্য নাম কি হ'ব? যন্ত্ৰণা! এনে যন্ত্ৰণাময় জীৱন এটা সহনীয় কৰি তোলাৰ উপায় কি? বিশ্ব-বিশ্ৰুত দাৰ্শনিক ভলটেয়াৰে একে ভাষাৰে ক'লে — '.......অবিশ্ৰাম কাম।....'

প্ৰাপ্তিয়েই বাৰু জীৱনৰ শেষ কথা হয়নে? নহয়। কবি অতনু ভট্টাচাৰ্যৰ ভাষাৰে- 'প্ৰাপ্তিয়েই জীৱনৰ শেষ কথা নহয় / যি শোকৰ ৰ'দত পোৱা নাই / জুৰুলি - জুপুৰি হোৱা নাই দুখৰ বৰষুণত / ....../ তেওঁৰ বাবে সুখো এক ধৰণৰ দুখ।' তাৰ মানে কি? সুখৰ অনুভূতিৰ লগতে দুখৰ অনুভূতিও জীৱনৰ নিত্য সহচৰ! সেয়ে নেকি সুগন্ধি পখিলাৰ কবি হীৰেণ ভট্টাচাৰ্যই 'স্বপ্নৰ স'তে' কথা পাতিলে - 'মই দুখৰ লগত খেলো / জিকোৱেই বা হাৰো / অবিচলিত মোৰ আনন্দ। ......'

সুখৰ অমিয়া বিচাৰি ইমানুৱেল কান্টৰ 'Crititc of Pure Reason'ৰ পৰা আৰ্নেষ্ট হেমিংৱেৰ 'The old man and the sea' লৈ ঘূৰি ঘূৰি যিদিনা ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰীৰ 'অনুৰাধাৰ দেশ'ত আহি উপস্থিত হ'লো, তাতো পালো — 'দুৰ্যোগ, দুৰ্ঘটনা আছে বাবেই জীৱন ৰোমাঞ্চকৰ। বৈচিত্ৰহীন জীৱন অকল কাপুৰুষৰহে কাম্য। হোমেন বৰগোহাঞিৰ আত্মানুসন্ধানেও আকৌ ক'লে — 'When life in not banal, it is often a tragic'। কাৰ্লাইলৰ লিখনিতো পঢ়িলো 'অপৰিসীমা যন্ত্ৰণা কঢ়িয়াই লৈ ফুৰাটোৱে শেষ প্ৰতিভা।' জীৱনৰ সংজ্ঞা দি কলাগুৰু বিষ্ণুৰাভাইও কৈ গ'ল — 'মানুহৰ জীৱনটো এটা আবেষ্টনীৰ মাজত পৰিপাটিকৈ থকা সুষমা ভৰা পদাৰ্থ নহয়, ই এক অনিৰ্দিষ্ট জীৱন্ত ব্যাপক জ্বলন্ত শিখা।'

তথাপি .... তথাপি কিয় বাৰু মই মোক বুজাব পৰা নাই? জীৱনটোক লৈ মোৰ কিহৰ এই অস্থিৰতা? বিগত কেইবাটাও ৰাতি কিয় বাৰু মই শান্তিৰে শুব পৰা নাই? চিন্তা-দুঃচিন্তাৰ জোঁৱৰ-ভাটাই কিয় বাৰু অশান্ত কৰি তুলিছে মোৰ মানস সমুদ্ৰৰ উৰ্মিমালা? কিয় বাৰু গতিৰুদ্ধ হৈছে মোৰ আকাশলঙ্ঘী আশাবোৰ কঢ়িওৱা অভ্ৰভেদী জাহাজৰ দুৰ্বাৰ গতি? লঙ্গৰ পেলাই মই কিয় অপেক্ষা কৰিব লগাত পৰিছো — বাধাৰ ঢৌবোৰ বাৰু কেতিয়া আঁতৰিব? মহামৃত্যুৰ মহাসৌন্দৰ্য অভিমুখে মই কেতিয়া আৰম্ভ কৰিব পাৰিম মহাজীৱনৰ জয়যাত্ৰা? ..........

এতিয়া নিশা দুই বাজিছে। দৈনন্দিন ব্যস্ততাৰ অন্তত

গাঁওখন এতিয়া মহা আৰামেৰে শুই আছে। দূৰণিৰ ক'ৰবাত ৰৈ ৰৈ কুকুৰবোৰে ভুকিছে। অথচ কিবা এক অনামী যন্ত্ৰণাৰ চেপাত বিগত কেইবাটাও ৰাতিৰ দৰেই মোৰ দুচকুত আজিও নাই টোপনিৰ প্লাৱন। সন্মুখত দেখিছোঁ নিৰাশাৰ এখন অলঙ্ঘ্য হিমালয়। মনৰ সেউজ পথাৰ হৈ পৰিছে নিৰস চাহাৰা। স্তিমিত হ'ব খুজিছে জীৱনত ডাঙৰ কিবা এটা কৰাৰ প্ৰচণ্ড হেঁপাহ, সমস্ত উৎসাহ।

আনদিনাৰ দৰেই বিছনাৰ পৰা সন্তৰ্পনে নামি গৈ মই মোৰ কোঠাৰ একমাত্ৰ খিৰিকীখন খুলি দিছো। জোনৰ পোহৰত সংগোপনে খুলি লৈছো জীৱনৰ ব্ৰিফকেচ। ইয়াতেই থুপ খাই আছে জীৱনৰ অৰ্থ নো কি, সেয়া বুজা-নুবুজাৰ দিনৰে পৰা সাঁচি যোৱা দিঠক আৰু সপোনৰ অলেখ পদ্য, জয়-পৰাজয়ৰ অলেখ গদ্য। পিত্‌পিত্‌কৈ খানাতালাচ কৰি মই মোক ইয়াতেই বিচাৰিব লাগিব। সেয়ে স্মৃতিৰ মকৰা জাল ফালি এৰি অহা শৈশৱলৈ ভটিয়াই মেলি দিলো মোৰ অনুভৱৰ মেলাহি পানচৈ....।

বাঃ কিমান যে সুন্দৰ আছিল শৈশৱৰ সেই দিনবোৰ! মাতৃৰ কোলাতে এদিন মই খেলিছিলো। মাতৃৰ বুকুৰ মমতাৰে মই লহপহকৈ বাঢ়িছিলো। কোঁচৰ পৰাই আকাশৰ জোনবাই বিচাৰি মেলি দিছিলো কণমানি দুহাত। পিতৃৰ তৰ্জনীত ধৰিয়ে মই খোজৰ ভঙ্গীমা শিকিছিলোঁ। কণমানি দুভৰিৰে থুপুক-থাপাককৈ গৈ ছিঙি আনিছিলো বাটৰ গুটিমালি। আৰু এদিন পাঠশালালৈ গৈ আন আন শিশুৰ দৰেই মইও সগৌৰৱে গাব পৰা হৈছিলো—

'জোনবাই এ এটি তৰা দিয়া
এটি তৰা নালাগে দুটি তৰা দিয়া .....।'
'মই গান্ধীজীৰ দৰে হ'ম।
সদায় সত্য পথত ৰ'ম।......'

ইত্যাদি ইত্যাদি। হয়। ৰঙীন কল্পনাৰ ঢৌ খেলি খেলি অতিবাহিত হৈছিল মোৰ শৈশৱ আৰু কৈশোৰ। মৰম আৰু অনুশাসনৰ আবেষ্টনীৰ মাজত মই মা-পিতায়ে বিচৰা 'মই' হ'বলৈ যত্ন কৰি গৈছিলো। পিতায়ে আনি দিয়া মহৎলোকৰ জীৱনীবোৰ পঢ়ি পঢ়ি মইও বহুমুখী প্ৰতিভাৰ ব্যক্তি হোৱাৰ সপোন দেখিছিলো।

বিদ্যালয়ৰ সন্মুখত থকা ইউকেলিপ্‌টাছ কেইজোপালৈ চাই চাই এদিন ভাবিছিলো মইও লহপহকৈ বাঢ়ি যাম। দূৰণিৰ আকাশখন এবাৰ চুই চাম। কিন্তু এতিয়া দেখিছোঁ — ইউকেলিপ্‌টাছ কেইজোপা নিজৰ বাটত দোপতদোপে আগুৱাই গ'ল, মই তেনেই পাছ পৰি ৰ'লো।

প্ৰাসঙ্গিকতাৰ সীমা ভেদি শৈশৱ আৰু কৈশোৰত দেখা প্ৰায়ভাগ স্বপ্নৰে বাস্তৱিক মূল্য তেনেই কম। সেয়ে হয়তো, সেই সময়ত দেখা অযুত সোণসেৰীয়া সপোনৰ বেছিভাগেই আজিও সপোন হৈয়ে ৰ'ল।

কৈশোৰ এৰি যৌৱনৰ প্ৰস্তাৱিত মোহনাত উপস্থিত হোৱা-নোহোৱাৰ সময়ছোৱাতো কিমান যে ব্যস্ততা। খাবৰ শুবৰ সময় নাই। সকলোতে আগৰণুৱা। প্ৰতিটো খোজতে যেন খোদিত কৰিব খোজো মোৰ এক অনন্য পৰিচয়। কবিতাৰে জগত জিনিম বুলি কবিতা লেখো, কবিতাৰ মেলা পাতি শব্দৰে মুখৰিত কৰোঁ শৰৎ আৰু বসন্তৰ আবেলি, দিবা-ৰাত্ৰি একাকাৰ কৰি সম্পাদনা কৰি উলিয়াও হাতে লিখা কবিতা সংগ্ৰহ, তাঁৰে-অনাতাঁৰে স্বৰচিত গল্প পঢ়ো, কবিতা গাঁও, গৌৰী, পিংকু, সীমান্তহঁতৰ বাবে নাটক লিখো; গাঁৱে গাঁৱে গৈ সঙ্গীত সন্ধিয়াবোৰত তবলা বজাওঁ, নামঘৰে নামঘৰে মহানামবোৰত নাগাৰা কোবাওঁ, মৃদঙ্গ কান্ধত তুলি নগৰ কীৰ্তনৰ সমদলত যোগ দিওঁ; খোলৰ বোল শিকি অসমীয়া ভাওনাৰে শঙ্কৰী কৃষ্টিৰ আখৰা চলাওঁ আৰু দূৰণিৰ ক'ৰবাত কুলিয়ে মাতিলে- কলেজত চাৰে শিকোৱা অৰ্থনীতিৰ গধুৰ সূত্ৰবোৰ টেবুলতে ঠেকেচা মাৰি থৈ ঢোলটি কান্ধত লৈ বিহুৰ আখৰা চলাওঁ।

ক'ত জানো পঢ়িছিলোঁ — জীৱনটো হেনো এক জঘন্য ব্যাপাৰ। ইয়াৰ পৰা হাত সাৰিব পাৰি একমাত্ৰ কলাৰ সাধনাত জীৱন ঢালি দি। মইও যেন হ'ব খোজোঁ এজন নিঃকিন কলা-সাধক। কলা-সাহিত্যৰ সাধনাতে জীৱন ঢালি দি মইও যেন জীৱন নামৰ ব্যাপাৰটোৰ পৰা আঁতৰি থাকিব খোজোঁ। বিষ্ণু ৰাভা দিৱসৰ পৰা শিল্পী দিৱসলৈ, বিশ্ব পৰিৱেশ দিৱসৰ পৰা বিশ্ব পৰ্যটন দিৱসলৈ, বিনামূলীয়া পাঠদান শিবিৰৰ পৰা প্ৰকৃতি সজাগতা শিবিৰলৈ, বৃক্ষৰোপন অভিযানৰ পৰা প্লাষ্টিক আৱৰ্জনা দূৰীকৰণ অভিযানলৈ, সংগ্ৰহালয় স্থাপনৰ পৰা তথ্যচিত্ৰ নিৰ্মাণলৈ ক্ৰমে ক্ৰমে প্ৰসাৰিত হৈ গৈ থাকে মোৰ ব্যস্ততাৰ পৃথিৱী। সকলোতে যেন মানৱীয় প্ৰমূল্যবোধৰে মানৱৰ হিতৰ হকে সৰু সুৰা কিবা-কিবি কৰি যোৱাৰ নিঃকিন প্ৰয়াস।

এই দুনিয়াৰ এজন নিঃকিন পথিক হিচাপে মোৰ এই প্ৰয়াসবোৰ নিঃকিন হ'লেও ইয়াৰ একো একোটা প্ৰান্তিক মূল্য আছে। অনুভূতিবোৰ সৰু সৰু হ'লেও তাৰো মানসিক প্ৰেক্ষাপট আছে, যাক মই-আমি অস্বীকাৰ কৰিলেও সময়ৰ বুৰঞ্জীয়ে হয়তো কেতিয়াও নকৰিব। কিন্তু বাহ্যিক এই ব্যস্ততাখিনিৰেই এটা পৰিপূৰ্ণ জীৱন বা যৌৱনৰ মাপক হ'ব পাৰেনে? মই নাজানো। হয়তো প্ৰতিটো পৰিপূৰ্ণ জীৱন বা যৌৱনৰ বাহ্যিকতাখিনিৰ নেপথ্যতো থাকে একো একোখন অৰ্থপূৰ্ণ অবাহ্যিক ইতিহাস।

বাহ্যিক ব্যস্ততাৰ বেহ ভেদি নেপথ্যৰ ইতিহাস ৰচিবলৈ মোৰ জীৱনলৈও নামি আহিছিল উদ্দাম বসন্তৰ এছোৱা সাতোৰঙী সময়। থৌকি-বাথৌ নৃত্যৰে জিৰ্‌জিৰ্‌কৈ বৈ থকা নিজৰা, পথৰুৱা গাভৰুজাকৰ ঔ ফুলীয়া হাঁহি সকলোতে প্ৰত্যক্ষ কৰিছিলো সুন্দৰৰে সোণালী ৰাজত্ব।

এয়াই যেন মনৰ ময়ুৰপঙ্খী ফুলে ফুলে উৰা মৰাৰ সময়। মনৰ সাতোৰঙী ৰামধেনুত কল্পনাৰ নাও সাজি হেঁপাহতে উটি-ভাঁহি ফুৰাৰ সময়! গাঁৱৰ সুৰবোৰ বুকুত বান্ধি এখোপামান সেউজীয়া আশালৈ যিদিনাই চহৰৰ ৰাজআলিত খোজ দিছিলো সেইদিনাই জালুকবাৰীৰ কৃষ্ণচূড়াৰ বতাহজাক আহি লাগো-নালাগোকৈ মোৰ গাত লাগিছিল। ক্ৰমে ক্ৰমে পৰীৰ দেশলৈ ঢাপলি মেলিছিল মোৰ সপোনৰ পানচৈ। বিশ্ববিদ্যালয়ৰ শ্ৰেণী কোঠাত অৰ্থশাস্ত্ৰৰ জটিল সূত্ৰবোৰ কিমান বুজিছিলো নাজানো, কিন্তু হোষ্টেলৰ কোঠাৰ আড্ডাত, কৃষ্ণচূড়াৰ তলে তলে নতুবা শৰাইঘাটৰ আঁৰে আঁৰে লগ-সমনীয়াৰ স'তে হাঁহি-ধেমালিৰে শিকা প্ৰেমৰ স্বৰলিপি আপোনা-আপুনিয়ে আওৰাব জনা হৈছিলো।

মা-পিতাইৰ আশা ভৰা চকুলৈ চাই মোৰ মনত পৰস্পৰ বিৰোধী ভাব এটা যে জন্ম হোৱা নাছিল - এনে নহয় - হৈছিল। তথাপি প্ৰকৃতিৰ ৰীতি মানিয়েই মোৰ সেউজ হৃদয়ৰ চিৰিয়েদি নামি আহিছিল প্ৰগলভা প্ৰেমৰ এটি নীলাভ আকৃতি।

প্ৰকৃতিৰ ৰীতিৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰাৰ সাহস মহীয়ান মহীয়সীসকলৰ হয়তো থাকিব পাৰে (নাথাকিবও পাৰে)— মোৰ কিন্তু সচাঁকৈয়ে নাছিল। সেয়ে সকলোৰে অলক্ষিতে ভালপোৱাৰ বিজ্ঞাপন দি নিজৰ মাজত সংগোপনে স্থাপন কৰিছিলো এখনি প্ৰেমৰ পৃথিৱীৰ আধাৰশিলা।

'The Character'ত চেমুৱেল স্মাইলচে কৈছিল — 'পৱিত্ৰ আৰু মহিমামণ্ডিত ৰূপত প্ৰেম নৈতিক উৎকৰ্ষকতাৰে প্ৰমাণ।' কিন্তু যৌৱনৰ পেৰাত সাঁচি থোৱা কিবা-কিবি পোৱা আৰু কিবা-কিবি হেৰুৱাৰ ৰচিদ বহীখিনি লুটিয়াই-পুতিয়াই চালে এই বাক্যবাৰলৈ আজি মোৰ ভয় লাগে। সাঁথৰ সাঁথৰ যেন লাগে— এটা যেন অন্তহীন সাঁথৰ। Eternal Paradox। কাৰণ নৈতিকতা, পৱিত্ৰতাৰ সংজ্ঞাৰ পৰিধি কিমান ঠেক, কিমান বহল মই আজিও ঠিৰাং কৰিবই নোৱাৰিলো।

সোণোৱালী শৈশৱৰ পৰা যৌৱনৰ জপনামুখলৈ তিল তিলকৈ গঢ় দিয়া মোৰ স্বকীয়তাক মই এইখিনিতেই হেনো ক'ৰবাত হেৰুৱালো। ক'ত হেৰুৱালো? ক'ত হেৰুৱালো? সঁচাইনে? সঁচাইনে? মই আচৰিত হৈ উঠো। মই মোক সঁচাই হেৰুৱালোনে? কোনোবাই ক'লে হেৰুৱালো, কোনোবাই ক'লে নাই। এৰা, প্ৰতিজন মানুহৰেই যে আছে জাগতিক জ্ঞানেৰে পৰিপুষ্ট স্বকীয় চিন্তা-ভাৱনাৰ একো একোখন স্বকীয় পৃথিৱী। স্বামীক হেৰুৱাই পোৱা কোনো দুৰ্ভগীয়া নাৰীৰ উকা কপালখনিৰ যাতনা মই অনুভৱ কৰিব পাৰো, পুত্ৰক হেৰুৱাই পোৱা কোনো মমতাময়ী জননীৰ বিষাদ মই অনুভৱ কৰিব পাৰো, কিন্তু নিজক হেৰুৱা বুলি পোৱা এই যন্ত্ৰণা !...... কোনোবাই সহিব পাৰেনে? ....... মই নাজানো ......... মই নাজানো........।

স্বপ্নাতুৰ শৈশৱ, কৈশোৰ আৰু বিচিত্ৰ যৌৱনৰ খলা-বমা পথেৰে এনেদৰেই বগুৱা বাই আগবাঢ়ে মোৰ জীৱনৰ বহুৰঙী সৰীসৃপ, মহামৃত্যুৰ মহাসৌন্দৰ্য অভিমুখে। প্ৰশংসা -বিদ্ৰূপৰ সহস্ৰ ঢৌৰ উৰ্দ্ধত থাকি, বাধা-ব্যৰ্থতাৰ নৈখনিৰ ওপৰেৰে, জয়-পৰাজয় আৰু আশা নিৰাশাৰ

সমাহাৰেৰে গঢ়িবলৈ প্ৰয়াস কৰি যাওঁ অভিজ্ঞতাৰ এখনি মজবুত সাঁকো।

মোৰ এই প্ৰয়াস বাৰু সফল হ'বনে?

পূৰ্ণ হৈ উঠিবনে জীৱন জয়ৰ সপোনবোৰ? জীৱনৰ প্ৰতি কিয় বাৰু মাজে মাজে মই ইমান উদাসীন হওঁ? নিৰাশাৰ হাতোৰাই কিয় বাৰু মোক অক্টোপাছৰ দৰে চেপি চেপি খাব খোজে? শৈশৱতে সপোন দেখিছিলো ইউকেলিপ্টাছৰ দৰে লহপহকৈ বাঢ়ি গৈ মই আকাশৰ জোনাকৰ স'তে এবাৰ কথা পাতিম। কিন্তু এতিয়া মূৰ তুলি চাই দেখিছো— শৈশৱত দেখাৰ দৰে এইখন আকাশত দেখোন জোনাকো নাথাকে। সপোনৰ মসৃণ পথ দিঠকত কিয় বাৰু ইমান পিছল?

তেন্তে কি — জীৱন মানে সঁচাকৈ যন্ত্ৰণা? কলা সাহিত্যৰ সাধনাৰে এই যন্ত্ৰণাকে চেপি খুন্দি সৌন্দৰ্যৰ পাহাৰ সাজিম বুলি ভাবিলেও বাস্তৱৰ হেজাৰ চকুলোৰে মোক বিব্ৰত কৰি তোলে, থমকি ৰয় কলমৰ গতি। কেৰেলুৱাৰ দৰে কুণ্ডলী পকাই মই ক্ষণ গণো-আঁতৰি যাবনে বাৰু সন্মুখৰ বাধাৰ প্ৰাচীৰ? পামনে বাৰু বিচাৰি জীৱনৰ সেন্দুৰীয়া বাট? ঋতুৱে ঋতুৱে দেখোন গছেও সলাই বৰণীয়া পাত— অথচ যোৱা কেইবাটাও বছৰে মোৰ ক্ষীণাঙ্গ শৰীৰত সেই একেযোৰেই সাজ। কিয় বাৰু? কিয় বাৰু - অৰ্থনীতিত বিশ্ববিদ্যালয়ৰ শেষ শিক্ষাখিনি লৈও মই আজিলৈ বিচাৰি পোৱা নাই অৰ্থ সংগ্ৰহৰ সোণালী বাট?

মই অকৰ্মণ্য নে মই অপদাৰ্থ? এই দুনিয়াত মাথো ঠাই অধিকাৰ কৰিবলৈহে মোৰ জন্মনে? মই বাৰু অপ্ৰয়োজনীয় নেকি? নিজৰ বাবে? দহৰ বাবে? সমাজৰ বাবে? সঁচাইনে মই অপ্ৰয়োজনীয়? সঁচাইনে মই অপ্ৰয়োজনীয়? সঁচাইনে বাৰু - শব্দ আৰু সংলাপৰ সাধনাতে বিচাৰি নাপামনে মা-পিতাইৰ সপোনবোৰৰ বাস্তৱতা? পূৰ্ণ হৈ নুঠিবনে শৈশৱতে থোৰ মেলা মোৰ আশাবোৰৰ অপূৰ্ণ পিয়লা?.....

সপোনৰো সীমা থাকে? মই বাৰু সীমা অতিক্ৰমি সপোন দেখিছিলো নেকি? এই দুনিয়াত কোনো মানুহেই যে চৰম সুখী হ'ব নোৱাৰে- সেই কথা মই জানো। মই এইটোও জানো 'Success means wining the war, not every battle.' তথাপি কিহৰ এই যন্ত্ৰণা? কিহৰ এই অনিদ্ৰা, অস্থিৰতা? এই অনিদ্ৰা, অস্থিৰতাৰ মকৰাজালত মই মোক হেৰুৱাম নেকি? নাই-নাই। মই মোক হেৰুৱাব নোৱাৰো। মই মোক নিঃশেষ কৰিব নোৱাৰো। দুৰ্বাৰ শকতিৰে মই আকৌ আৰম্ভ কৰিব লাগিব মহাজীৱনৰ মহাযাত্ৰা। হেজাৰ যন্ত্ৰণাৰ শিকলি চিঙি নিৰূপণ কৰিবই লাগিব মই মোৰ স্বকীয় সত্বা .... হাঁহি হাঁহি জীৱনটোক মই ওচৰৰ পৰা চাব খোজো........ শব্দ আৰু সংলাপেৰে মুখৰিত কৰিব খোজো দিন-প্ৰতিদিন ... ফুল-তৰা-গানেৰে ওপচাই পেলাব খোজো এই বিনন্দীয়া বসুধা........।

মই জানিছো- শান্ত সাগৰ এখনে কাহানিও এজন সুদক্ষ নাবিক জন্ম দিব নোৱাৰে। হে মহাসাগৰ - তুমি অশান্ত হোৱা-মই সুদক্ষ নাবিক হ'ব খোজো। হে ধুমুহা, বনৰ বন্যতাৰে মোক আগচি ধৰা। হে ডাৱৰ, মোৰ সপোনৰ আকাশখন ছানি ধৰা। তোমালোকক ধূলিসাৎ কৰাৰ জোখেৰে মোৰ মাজত যিমান আশা আছে, তোমালোকৰ মাজততো ইমান জুই নাই। মাৰ দুচকুৰে নিগৰা বিষাদৰ দুটোপাল চকুপানী আৰু ৰোগাক্ৰান্ত পিতৃৰ সেমেকা হুমুনিয়াহ মোৰ এই অগ্ৰগামী যাত্ৰাৰ হ'ব নতুন প্ৰেৰণা। পৰাজয়ৰ আচ্ছাদন খুলি মই বোৱাবই লাগিব বিজয়ৰ আনন্দ অশ্ৰুবন্যা......।

সৌৱা-সৌৱা মোৰ দৃষ্টিৰ সীমনাতে বিজয়ৰ ৰেখা। এয়া, এয়া নিজম ৰাতিৰ নিস্তব্ধতা ভেদি তেজাল ঘোঁৰাৰ দৰে খট্ খট্ কৰি দৌৰিবলৈ আৰম্ভ কৰিছে মোৰ অদম্য অচ্যুত সত্বা। জাঁপে জাঁপে জপিয়াবলৈ আৰম্ভ কৰিছে একেকোটা অভিশপ্ত উপত্যকা। মোৰ ঘোঁৰাৰ খুড়াৰ শব্দত মেদিনী কঁপিছে, মেঘে মেঘে মাদল বাজিছে। যদি কোনোবাটো খোজত ফুলিছে খ্যাতিৰ বিজয়ানন্দ, কোনোবাটো খোজে দিছে পৰাজয়ৰ চৰম কাৰুণ্য। সকলো নেওচি-বসন্তৰ পাছত বসন্ত আহিছে -গৈছে-মহামৃত্যুৰ মহাসৌন্দৰ্য অভিমুখে অবিৰাম গতিৰে মোৰ ঘোঁৰা মাথো চেঁকুৰিছে- এই জীৱন সমুদ্ৰত জিৰাবলৈ যেন তাৰ কোনো বন্দৰেই নাই..........। মোৰ ঘোঁৰাৰ পিঠিতে আছে এয়া মোৰ অৰ্দ্ধাঙ্গীনী— যাক তপোবনৰ পৰা এই এদিন সংগোপনে হৰণ কৰি আনিছিলো। যিয়ে মোৰ মমতাৰ আহ্বান ৰাখিবলৈ গৈ অকাৰণে এদিন অলেখ অপবাদ সহিছিল। নিজৰ হকে যাৰ ওঁঠযুৰি আছিল চিৰদিনেই মৌন। যিয়ে অভিযোগৰ কোনো ভাষাই নাজানিছিল— সিয়ে আজি মোৰ এই মহাযাত্ৰাৰ মহাসহযাত্ৰী ।..........

হঠাৎ পাহাৰখনৰ দাঁতিৰ কেঁকুৰিত এয়া কাৰ উচুপনি? কাৰ এই হিয়াভগা কান্দোন? এই অন্ধকাৰ অৰবাহিকাত - এইবোৰ, এইবোৰ কি? অৰ্দ্ধদগ্ধ নৰকংকাল! তেনেহ'লে, তেনেহ'লে — এইখন কি - মৰিশালিৰ মৃতভূমি?

হয় - হয়, ৰহস্যময় এই নৈঃশব্দৰ উপত্যকাতে শুই আছে অলেখ আধৰুৱা সপোন, অলেখ আধৰুৱা হাঁহি, অপ্ৰাপ্তিৰ বেদনাৰে সংপৃক্ত অলেখ অতৃপ্ত আত্মা। সকলো নিশ্চুপ। সকলো নিৰ্বাক। প্ৰাপ্তি-অপ্ৰাপ্তিৰ বাবে কাৰো প্ৰতি কাৰোৰে যেন অভিযোগ নাই। সঁচাইনে নাই? তেনেহ'লে কিহৰ এই উচুপনি? কিহৰ এই নিনাদ? নিৰ্বাক যেন লগা অতৃপ্ত আত্মবোৰৰে নহয়নে? .........

হয়-হয়, এক ভয়াবহ কাৰুণ্যই মোক পুনৰ অস্থিৰ কৰি তোলে। মই লেকাম টানো। আত্মাৰ মাজেদি দুৰ্বাৰ গতিৰে চেঁকুৰিব ধৰে মোক অক্লেশী ঘোঁৰা। আস! কি কষ্টকৰ এই আৰোহণৰ যাত্ৰা! ইমান ধূলি! ইমান ধুমুহা! ইমান আন্ধাৰ! .......

হঠাৎ মোৰ যাত্ৰাপথত এয়া দেখো পোহৰৰ বৰ্ণালী। কোনে সিঁচিছে— কোনে সিঁচিছে? সন্মুখৰ সৌ বিবৰ্ণ মন্দিৰৰ সৌ দুজনা নমস্য প্ৰাচীন বিগ্ৰহে? অঃ! এয়া দেখো মোৰ চিৰপূজনীয়া পিতা-মমতাময়ী মা-যিয়ে মোৰ বাবে এদিন অলেখ জীয়া-যাতনা সহিছিল, যিয়ে মোক বুকুৰ সমস্ত ওমেৰে ডাঙৰ-দীঘল কৰিছিল, যিয়ে মোৰ কণমানি আঙুলিত পেঞ্চিল গুজি দি শিকাইছিল জীৱনৰ বৰ্ণমালা - মোৰ মা! মোৰ পিতা! তেনেহ'লে কি? এৰি থৈ অহা শ্মশানৰ অতৃপ্ত আত্মাবোৰৰ দৰে আকাংক্ষাৰ অৰ্দ্ধসমাপ্তিৰ বাবে মোৰ ওপৰত কোনো অভিযোগ নাই— কোনো বিদ্ৰোহ নাই? আন্ধাৰৰ বলয় ভেদি এটা ফৰকাল প্ৰত্যুষৰ ফালে ধাৱমান হ'বলৈ মোৰ যাত্ৰা পথত সিঁচি দিছে পোহৰৰ তৰঙ্গ? .........

ক'ৰ - ক'ৰ পৰা সিঁচি দিয়া হৈছে পোহৰৰ এই তৰঙ্গমালা? মই সেই বিন্দুৰেই ওচৰৰ চাপি আহিছো - তাতেই আছে মৃত্যুৰ শীতল উপত্যকা- মহামৃত্যুৰ - মহাসৌন্দৰ্যৰ। জীৱনৰ আৰ্জিত সমস্ত প্ৰাপ্তি-অপ্ৰাপ্তিৰ হিচাপ নিকাচো চলিব তাতেই। তাতেই শেষ কৰিম মোৰ এই বৰ্ণাঢ্য জাগতিক পৰিক্ৰমা- এই অস্থিৰ বিচিত্ৰ জীৱন-প্ৰৱাহ। তাৰ পাছত? তাৰপাছত মাথো এটা শূন্য- এটা মহাশূন্য- নৈঃশব্দৰে ৰহস্যময় এটা বৃহৎ শূন্য। আৰুনো কি??? ■

তুমি যদি সমস্যাৰ কথা ভাবা তেন্তে ভাল সংগ লোৱা। নহ'লে অকলে থকাই ভাল।

— ৱাশ্বিংটন

✧ ★ ✧

মূৰ্খবোৰে সুন্দৰ পোচাকেৰে জ্ঞানীৰ সভাতো স্থান পায়। কিন্তু তেওঁৰ সেই স্থান তেতিয়ালৈকে থাকে যেতিয়ালৈকে তেওঁৰ মুখ নোখোলে।

— চানক্য

## নমশূদ্ৰ সম্প্ৰদায় আৰু গো ধন

# কিছু পৰম্পৰা, কিছু বিশ্বাস

ধন্য ৰাম ৰয়
বিভাগীয় মুৰব্বী, ইতিহাস বিভাগ

নমশূদ্ৰ সম্প্ৰদায়ৰ লোকসকল মূলত কৃষি জীৱী। গতিকে, গৰু এওঁলোকৰ দৈনন্দিন জীৱনৰ সঙ্গী। এই সম্প্ৰদায়ৰ প্ৰতিটো ঘৰতেই কম-বেছি পৰিমানে গৰু থাকে। গাই গৰু গাখীৰ ও গৰুৰ বংশ বৃদ্ধিৰ বাবে পোহে, আনহাতে ষাড় গৰু বা বলদ গৰু হাল বাবলৈ পোহে। গৰুক তেওঁলোকে বিষ্ণু বুলি মান্য কৰে। যি ঘৰত অধিক সংখ্যক গৰু থাকে, সেই ঘৰৰ গৃহস্থই নিজকে ভাগ্যবান বুলি ভাবে। তেওঁলোকে গৰুৰ যথেষ্ট যত্ন লয়।

(ক) পূৰ্ণিমা বা অমাৱস্যাত নমশূদ্ৰ লোকসকলে গৰুৰ দ্বাৰা হাল নাবায়। এই দুই তিথিত গৰুৰ গাত প্ৰচণ্ড বিষ হয় বুলি তেওঁলোকে বিশ্বাস কৰে। ইয়াৰ দ্বাৰা তেওঁলোকে পযেকৰ মূৰত এদিন বিশ্ৰাম দিয়ে। ইয়ে তেওঁলোকৰ গৰুৰ প্ৰতি থকা শ্ৰদ্ধাকেই সূচায়।

(খ) নমশূদ্ৰ লোকসকলে কেতিয়াও ভৰিৰে গৰুক স্পৰ্শ নকৰে। ভুলতো কেতিয়াবা গৰুৰ গাত ভৰি লাগিলে, তেওঁলোকে গৰুৰ গা চুই প্ৰণাম কৰে।

(গ) কেতিয়াবা ভূত-প্ৰেতৰ মুখামুখী হ'লে, তেওঁলোকে গৰুৰ নেজডাল ধৰি ভগৱান বিষ্ণুক স্মৰণ কৰে। এইটো এই সম্প্ৰদায়ৰ জনবিশ্বাস যে, গৰু যিহেতু ভগৱান বিষ্ণুৰ অংশ, সেইহেতু কোনো ভূত-প্ৰেত নাইবা অপদেৱতাই গৰুৰ ওচৰ চাপিব নোৱাৰে ও গৰুক স্পৰ্শ কৰি থকাজনকো কোনো ক্ষতি কৰিব নোৱাৰে।

(ঘ) গোহালী ঘৰখনক ঈশ্বৰৰ মন্দিৰ সদৃশ পবিত্ৰ বুলি মান্যতা দিয়া হয়। মহিলা সকলৰ মাহেকীয়া হ'লে, তিনি দিনলৈ তেনে মহিলাই গোহালি ঘৰত নোসোমায়। এনেকুৱা হ'লে, গৰুৰ বেমাৰ-আজাৰ হয় ও গৰুৰ বংশ নাশ হয় বুলি জনবিশ্বাস আছে।

(ঙ) পুহ মাহৰ সংক্ৰান্তিৰ দিনা ৰাতিপুৱা গোহালিৰ গৰু এৰি দিলে, পালৰ আটাইতকৈ বয়সস্থ বলদ গৰুটোৱে গোহালিৰ পৰা ওলাই আহি যি ঠাই ডোখৰত প্ৰথমতে শুঙে, পিছৰ বছৰ বাৰিষাৰ পানী সেই উচ্চতালৈ উঠে বুলি তেওঁলোকে মনে-প্ৰাণে বিশ্বাস কৰে।

(চ) গৰু কিনিলে এবছৰৰ ভিতৰত সেই গৰুটো বেচিব লগা হ'লে, কিনা দামতকৈ বেছি দাম ল'ব নোৱাৰে।

(ছ) মোমায়েকৰ ঘৰৰ গৰু ভাগিনৰ গোহালিত ৰাখিব নাপায়। জনবিশ্বাস আছে যে মোমায়েকৰ গৰু ভাগিনৰ গোহালিত ৰাখিলে সেই গৰুৰ অতি সোনকালে মৃত্যু হয়।

(জ) গৰু আৰু ছাগলী একেটা গোহালিতে ৰখাটো নিষেধ। তেনে কৰিলে গৰুৰ বংশ নাশ হয় বুলি জনবিশ্বাস আছে।

(ঝ) 'গো দান' মহাদান বুলি ধৰা হয়। কোনোবা ব্যক্তিৰ জীয়ৰীক বিয়া দিয়াৰ পাছতো মাজে সময়ে জী-জোঁৱাইক নিমন্ত্ৰণ কৰি আনি খোৱাই-বোৱাই বিদায় দিয়াৰ সময়ত দান সূত্ৰে কিছু লাগতিয়াল বয়-বস্তু উপহাৰ হিচাপে দিয়ে। কিন্তু গৰু দান নকৰে। গৰু দান কৰিলেও, গাই গৰুহে সাধাৰণতে দান কৰে। গৰু দান সৰ্বশেষ দান। গৰু দানৰ পাছত পিতৃ গৃহই জীয়ৰীক কোনো দান নকৰে।

(ঞ) নমশূদ্ৰ সম্প্ৰদায়ৰ বিশ্বাস যে মানুহ মৰিলে শ্ৰাদ্ধৰ সময়ত ব্ৰাহ্মণক ষাঁড় গৰু দান কৰিলে মৃতকৰ আত্মাই এই ষাঁড় গৰুৰ নেজত ধৰি বৈতৰণি (ভৱনদী) সাঁতুৰি পাৰ হৈ বৈকুণ্ঠ প্ৰয়াণ হয়।

(ট) মানুহৰ শৰীৰত পিত্ত উঠিলে (গাৰ ছাল হঠাৎ ওখহি আহিলে) গৰুৰ গোহালিত ভক্তি পূৰ্ণ ভাৱে বাগৰ দি গোহালিৰ ধূলি গাত লেপন দিলে (যাক ৰজ মাখা বোলে) এই বেমাৰ অতি সোনকালেই আৰোগ্য হয় বুলি জনবিশ্বাস আছে।

(ঠ) গাঁৱত কলেৰা সদৃশ মহামাৰীয়ে দেখা দিলে প্ৰাচীন কালৰ পৰাই নমশূদ্ৰ লোকসকলে চোতাল-ঘৰ গৰুৰ গোবৰেৰে মচি ৰাখে। তেওঁলোকে বিশ্বাস কৰে যে এনেদৰে মচিলে সেই ঘৰত কলেৰাৰ বীজানু প্ৰৱেশ কৰিব নোৱাৰে।

(ড) তাবিজ-কবচত চোৱা লাগিলে পুৰোহিতে বনাই দিয়া মন্ত্ৰপূত শান্তিজলৰ লগত গো-চনা মিহলাই তাবিজ-কবচ ধোলে, সেইয়া বিশুদ্ধ হয় বুলি জনবিশ্বাস আছে।

(ঢ) ষাড় গৰুৰ মূত্ৰ পবিত্ৰ বুলি বিশ্বাস কৰা হয়। বিভিন্ন পূজা-পাৰ্বণত চৰণামৃত গো-চনাৰে বনোৱা হয়।

(ণ) ভাদ মাহত যিজনী গাই জগে সেইজনী গাইৰ গাখীৰ কোনো পূজা বা বেদ কৰ্মত ব্যৱহৃত নহয়।

গৰুক যে নমশূদ্ৰ লোকসকলে দেৱতা জ্ঞান কৰে সেইটো তেওঁলোকে পালন কৰা কেইটামান পৰম্পৰাৰ পৰাই সহজে অনুমান কৰিব পাৰি। এইবোৰ হৈছে — ক) গোৰকোনাথ ঠাকুৰৰ পূজা, খ) তিন নাথ ঠাকুৰৰ পূজা, গ) গৰু বিহু, ঘ) গো-ফাগুনা আৰু ঙ) মৃত গৰুৰ সৎকাৰ।

১। গেৰকোনাথ (গোৰখনাথ) ঠাকুৰৰ পূজাঃ

নমশূদ্ৰ সম্প্ৰদায়ৰ এটি লেখত লবলগীয়া পৰম্পৰাগত সামাজিক অনুষ্ঠান হৈছে 'গোৰকোনাথ (গোৰখনাথ) ঠাকুৰৰ পূজা'। এই পূজা গৰু পোহা প্ৰত্যেক নমশূদ্ৰ লোকৰ ঘৰতেই আয়োজন কৰা হয়। এই পূজা বহাগ মাহত সাধাৰণতে আয়োজন কৰা হয় যদিও কেতিয়াবা বছৰৰ যিকোনো মাহতেই যিকোনো বাৰতে অনুষ্ঠিত কৰাৰ পৰম্পৰাও বিদ্যমান। নমশূদ্ৰ লোকৰ বিশ্বাস যে গৰুৰ সৰ্বময় কৰ্তা হ'ল দ্বাপৰ যুগত ভগৱান বিষ্ণুৰ অৱতাৰ শ্ৰীকৃষ্ণ। তেওঁৱেই 'গোৰকোনাথ (গোৰখনাথ) ঠাকুৰ'। সেয়ে গৰুৰ যিকোনো বেমাৰ হ'লে গোৰকোনাথ ঠাকুৰক কাকূতি কৰে যাতে তেওঁলোকৰ গৰুটোক/গৰুজনীক আৰোগ্য কৰি দিয়ে। গাই জগিলে গৰু পোৱালীৰ অশৌচ নিবৃত্তিৰ কাৰণেই বহাগ মাহত **'গোৰকোনাথ ঠাকুৰৰ পূজা'** কৰা হয়। গাই জগিলে এই পূজা নকৰিলে সেই গাইৰ গাখীৰ কোনো পূজা-পাৰ্বণত ব্যৱহাৰ নকৰে। আনকি, ঘৰৰ বয়োজ্যেষ্ঠ ব্যক্তিসকলেও এই গাখীৰ পাণ নকৰে। সেই কাৰণেই নমশূদ্ৰ লোকসকলে বজাৰৰ পৰা কিনি অনা গাখীৰ কোনো মাঙ্গলিক কামত ব্যৱহাৰ নকৰাৰ পৰম্পৰা চলি আহিছে। অৱশ্যে আজিকালি এই নিয়মৰ কিছু শিথিলতা হোৱা পৰিলক্ষিত হৈছে। বহাগ মাহ আহিলেই গাঁওসমূহত এই পূজাকলৈ উৎসৱমুখৰ পৰিৱেশ হোৱা দেখা যায়। এই পূজা ৰাতিৰ ভাগত অনুষ্ঠিত হয়। গোটেই বহাগ মাহ এই পূজা অনুষ্ঠিত হয়। কোনো কোনো দিনত ৪/৫ ঘৰ বা ততোধিক ঘৰত পূজাৰ আয়োজন কৰে। এনেকুৱা হ'লে প্ৰায় মাজ ৰাতিলৈকে ইঘৰৰ পাছত সিঘৰত পূজা অনুষ্ঠিত হয়। যি ঘৰে পূজা কৰে, সেই ঘৰৰ কোনোবাজনে গধূলি বেলা গাঁৱৰ প্ৰত্যেক ঘৰত পূজাৰ নিমন্ত্ৰণ দি আহে। ৰাতিৰ আহাৰ গ্ৰহণ কৰিয়েই গৰখীয়া ল'ৰাবোৰৰ লগতে সকলো পুৰুষ মানুহ পূজাৰ নিমন্ত্ৰণ দিওঁতাৰ ঘৰত গৈ উপস্থিত হয়গৈ। গৃহস্থই আথে-বেথে তেওঁলোকক চোতালত আসন পাৰি বহিবলৈ দি পূজাৰ উপচাৰসমূহ চোতাললৈ উলিয়াই আনি পূজাৰ কামত ব্যস্ত হৈ পৰে। এই পূজাৰ উপচাৰসমূহ হৈছে—

১। এটি আগলতি কলপাত (মাইজ পাতা), ২। এডাল এছাৰি (নৰি), ৩। এটা পঘা, ৪। এটা পিতলৰ ঘট, ৫। কেইটামান ধান, ৬। দূৰ্বা, ৭। এটি আমশৰা, ৮। পান-তামোল এযোৰ, ৯। ধূপ, মিঠা তেলৰ চাকি (বন্তি), ১০। সেন্দুৰ, ১১। ফুল, ১২। সিদ্ধ চাউল ভাজি গুৰি কৰি গৰু

গাখীৰৰ লগত মিলাই সৰু সৰুকৈ বনোৱা 'দোনা' ভৰ্তি লাড়ু।

প্ৰথমতে গৃহস্থই শুভ্ৰ বস্ত্ৰ পৰিধান কৰি আসন পাৰি পূবমুখীয়াকৈ বহি চোতালত ৪/৫ ফুট বৰ্গাকাৰে মাটিৰে মচি আলপনা কৰি থোৱা ঠাইৰ মাজ ভাগত কেইটামান ধান ও দুবৰি বনৰ ওপৰত পানী ভৰ্তি ঘট স্থাপন কৰে। ঘটত আমশৰা দি তাৰ ওপৰত এযোৰ তামোল-পাণ দিয়ে। ঘটৰ সোঁ কাষত আগলতি কলপাতখন পূবমুৱাকৈ আলফুলকৈ পাতি তাৰ ওপৰত 'নৰি' (এছাৰি) ডাল পূবমুৱাকৈ ৰাখে। আসনৰ বাওঁকাষত গাখীৰ আৰু ভজা চাউলৰ গুৰিৰে বনোৱা লাডুৰ 'দোনা' ৰাখে। আসনৰ বাওঁকাষত ধূপ-ধূনা লগায় ও সোঁকাষত মিঠাতেলৰ বন্তি জ্বলায়। ইয়াৰ পাছত নিজৰ ইষ্ট দেৱতাক স্মৰণ কৰি ঘট, বন্তি, ধূনাবাতি, নৰি, পঘা, প্ৰসাদৰ (লাডু) পাত্ৰকে আদি কৰি সকলোতে সেন্দুৰৰ ফোঁট দিয়ে। শেষত ফুল-পুষ্পৰে ঘটকে আদি কৰি সকলোতে অঞ্জলি দি অষ্টাঙ্গে গোৰকোনাথ ঠাকুৰক উদ্দেশ্যি প্ৰনিপাত জনাই উঠি গোৰকোনাথ ঠাকুৰৰ আশিষ বিচাৰি এটি ধ্বনিকে তিনিবাৰকৈ এই বুলি দিয়ে— "গোৰকোনাথ ঠাকুৰ আনন্দে হৰি ধ্বনি ব'ল, হৰি ব'ল"। সমজুৱাসকলে সমস্বৰে তিনিবাৰকৈ হৰি ব'ল বুলি ধ্বনি দি কৰযোৰে ঠাকুৰক সেৱা জনায়।

পৰৱৰ্তী কাৰ্যসূচী হিচাপে ৰাখালগণ (গৰখীয়া ল'ৰাবোৰ) শাৰী পাতি সমজুৱাসকলৰ সন্মুখত বহি লয়। সমজুৱাৰ ফালৰ পৰা এজনে ৰণা দিয়ে, মানে ৰণা পাঠ কৰে। ইয়াত পাঠ কৰা মানে কোনো পুথি-পাঁজি চাই পাঠ কৰাক নুবুজায়, মুখস্থ মাতাটোকহে বুজায়। এনে ৰণা সংখ্যাত ২০/৩০ টা মান আছে। কিন্তু প্ৰত্যেক ঘৰতে গোটেই কেইটা ৰণা দিয়া সম্ভৱ নহয়। মাত্ৰ ৫/৬ টা মানহে ৰণা এঘৰত দিয়া হয়। এই ৰণাৰ নিয়ম হৈছে, পাঠকজন **'ৰণা ৰণা'** বুলি ক'ব আৰু ৰাখালগণে **'হেচ্ছ'** বুলি ক'ব। পাঠকজনে মুখেৰে যিয়েই নামাতক কিয়, ৰাখালগণে প্ৰতিবাৰতে কেৱল **'হেচ্ছ'** বুলি ক'ব। এই ৰণা ৰণাৰ, যিবোৰক ছিকলি বুলিও কোৱা হয়, মাত্ৰ দুটামানহে তলত উল্লেখ কৰা হ'ল ঃ—

## গেৰকোনাথ ঠাকুৰৰ পূজাৰ ছিকলি (ৰণা) ঃ

| | পাঠক | | ৰাখালগণ |
|---|---|---|---|
| ১। | ৰণা ৰণা | .......... | হেচ্ছ'। |
| | ফুলকে ৰণা | .......... | হেচ্ছ'। |
| | গাই কিনিলাম | .......... | হেচ্ছ'। |
| | ফুলেশ্বৰী | .......... | হেচ্ছ'। |
| | দুধ দেয় কি | .......... | হেচ্ছ'। |
| | আৰি আৰি | .......... | হেচ্ছ'। |
| | মামী পানইতে | .......... | হেচ্ছ'। |
| | ভাঙল' আৰি | .......... | হেচ্ছ'। |
| | আমি পানইতে | .......... | হেচ্ছ'। |
| | ভৰল' আৰি | .......... | হেচ্ছ'। |
| | কতেক দুধ তাৰ | .......... | হেচ্ছ'। |
| | ৰাজায় খায় | .......... | হেচ্ছ'। |
| | কতেক দুধ তাৰ | .......... | হেচ্ছ'। |
| | প্ৰজায় খায় | .......... | হেচ্ছ'। |
| | কতেক দুধ তাৰ | .......... | হেচ্ছ'। |
| | গৰা-গৰি যায় | .......... | হেচ্ছ'। |
| | ব'ল ৰাখাল ৰা | .......... | শ্যাম—সুবল। |
| ২। | সাত পাঁচ ৰাখালে | .......... | হেচ্ছ'। |
| | তুইলা মাটি | .......... | হেচ্ছ'। |
| | তাঁত বসাব | .......... | হেচ্ছ'। |
| | কুমাৰ আটি | .......... | হেচ্ছ'। |
| | অৰে, অ'ৰে | .......... | হেচ্ছ'। |
| | কুমাৰ ভাই | .......... | হেচ্ছ'। |
| | আমাৰ গুৰুকেৰ | .......... | হেচ্ছ'। |
| | ঘট চাই | .......... | হেচ্ছ'। |
| | আমাৰ গুৰুকেৰ | .......... | হেচ্ছ'। |
| | কেমনি চিনি | .......... | হেচ্ছ'। |
| | হাট বসাব | .......... | হেচ্ছ'। |
| | বাইনা আটি | .......... | হেচ্ছ'। |
| | অ'ৰে অ'ৰে | .......... | হেচ্ছ'। |
| | বাইনা ভাই | .......... | হেচ্ছ'। |
| | আমাৰ গুৰুকেৰ | .......... | হেচ্ছ'। |



| | | | |
|---|---|---|---|
| | ধূপ চাই | .......... | হেচ্ছ'। |
| | আমাৰ গুৰুকেৰ | .......... | হেচ্ছ'। |
| | সিন্দুৰ চাই | .......... | হেচ্ছ'। |
| | আমাৰ গুৰুকেৰ | .......... | হেচ্ছ'। |
| | ফুল চাই | .......... | হেচ্ছ'। |
| | আমাৰ গুৰুকেৰ | .......... | হেচ্ছ'। |
| | নৰি চাই | .......... | হেচ্ছ'। |
| | আমাৰ গুৰুকেৰ | .......... | হেচ্ছ'। |
| | নাড়ু চাই | .......... | হেচ্ছ'। |
| | ব'ল ৰাখাল ৰা | .......... | শ্যাম—সুবল। |

উপৰোক্ত ৰণা দিয়া অন্ত হ'লে, ৰাখালগণ উঠি আহি সমজুৱাৰ লগত বহি জিৰণি লয়। ইয়াৰ পাছত বয়োজ্যেষ্ঠসকলে গো ধনৰ মঙ্গল কামনা কৰি এটি গীত গায়, যাক নমশূদ্ৰ লোকসকলে 'নাচাৰি' (লাচাৰি) বুলি কয়। ইয়াতো এজনে এফাঁকিকৈ গীত গাই যাব আৰু সমজুৱাসকলে পাছে পাছে দোহাৰি কৰি সেই একে ফাঁকি পদকে গাব, যাৰ কাৰণে সমজুৱাসকলক একেলগে 'দোহাৰি' বুলি কোৱা হয়।

## গেৰকোনাথ (গোৰখনাথ) ঠাকুৰৰ পূজাৰ নাচাৰি (লাচাৰি)

১। হেচ্চ' আইল' গোদেন গৰু লৈয়া আইল' ৰৰ,
হেচ্চ' হাত খানি নৰে চৰে যুগ-যুগান্তৰ।

২। হেচ্চ' গাই দোয়ায় গোয়ালা ভাই বান্ধে অনুমান,
হেচ্ছ' গাই দোয়ায় গোয়ালা ভাই সবাৰ' সমান।

৩। হেচ্চ' গাই এক ঠাই ৰে বাছুৰি আৰ এক ঠাই,
হেচ্চ' ৰাত্ৰি কালে ছায়-মায় দেখা-শুনা নাই।

৪। হেচ্চ' আগা ঠেংগেৰে সনে বাছুৰি বান্ধিয়,
হেচ্চ' পাছা ঠেংগৰে সনে ছান দৰি লাগাইয়।

৫। হেচ্চ' একধাৰ দুগ্ধ আগে বসুমাকে দিয়,
হেচ্চ' তিন ধাৰ দুগ্ধ শেষে দোয়াইয়া লৈয়।

৬। হেচ্চ' একধাৰ দুগ্ধ যদি নৰি নামা হয়,
হেচ্চ' পালেৰ' ধৱলী গাভি গাবৰা ফালায়।

৭। হেচ্চ' দুগ্ধ বেচিয়া বিয়াই আনে পইসা-কড়ি,
হেচ্চ' প্ৰথম বৈশাখে আমৰা গুৰুকেৰ পূজা কৰি।

৮। হেচ্চ' দধি, দুগ্ধ, ঘৃত, চিনি কৰে আয়োজন,
হেচ্চ' য'ত ছিল গুৰুকেৰ ৰাখাল দিল নিমন্ত্ৰণ।

৯। হেচ্চ' নিমন্ত্ৰণ পেয়ে ৰাখাল হৰষিত মন,
হেচ্চ' নিমন্ত্ৰেণাৰ বাড়ি যাইয়া দিল দৰশণ।

১০। হেচ্চ' শনি মঙ্গলবাৰে গবৰ বিলায়,
হেচ্চ' ভৰা ধৱলী গাভি গাভৰা ভাঙবাৰ চায়।

১১। হেচ্চ' গবৰ ফালাইতে নাৰী কৰে ঘেন ঘেন,
হেচ্চ' তাৰ বাড়িৰ ধেনু বৎস বয়না আঢ়াই দিন।

১২। হেচ্চ' ঘৰে থনে কয় কথা বাইৰে থনে শুনে,
হেচ্চ' তাৰ বাড়িৰ লক্ষ্মী ঠাকুৰাইন পাৰে নুৰা-নুৰী

১৩। হেচ্চ' ঘৰ সাৰিয়া যেবা নাৰী কৰে নুৰা-নুৰী।
হেচ্চ' তাৰ বাড়িৰ লক্ষ্মী ঠাকুৰাইন পাৰে নুৰা-নুৰী।

১৪। হেচ্চ' ভাত ৰান্ধিয়া যেবা নাৰী পুষ্যেৰ (পুৰুষেৰ) আগে খায়,
হেচ্চ' তাৰ বাড়িৰ ভৰা কলসেৰ জল তৰাসে শুকায়।

১৫। হেচ্চ' ছান (স্নান) কৰিয়া যেবা নাৰী মুখে দেয়ৰে পান,
হেচ্চ' তাৰ বাড়িৰ লক্ষ্মী বলে আমাৰ সমান।

১৬। হেচ্চ' সকাল বেলা ছৰা-ঝাৰু, সন্ধা বেলা বাতি,
হেচ্চ' তাৰ বাড়িৰ লক্ষ্মী বলে আমাৰ বসতী।

১৭। হেচ্চ' থুম থুমিয়া হাটে নাৰী চক্ষু ফিৰিয়া চায়,
হেচ্চ' ঐ সে অভাগা নাৰীৰ পতি মইৰা যায়।

১৮। হেচ্চ' চিত্ৰিণী, পদ্মিণী, হস্তিণী, শঙ্খিণী, তাৰাই চাইৰ বোন,
হেচ্চ' চাইৰ বইনেৰ চাইৰ গুন শুন আমৰা কই।

১৯। হেচ্চ' চিত্ৰিণী নাৰীৰ যেমন চিন্তায় থাকে মন,
হেচ্চ' তাৰ স্বামী আইনা দিল আঁচল ভৰা ধন।

২০। হেচ্চ' পদ্মিণী নাৰীৰ যেমন পদ্ম স্থলে ঘৰ,
হেচ্চ' পদ্মেৰ মাল্লিকা তাহাৰ মস্তকেৰ উপৰ।

২১। হেচ্চ' হস্তিণী নাৰীৰ যেমন পাওয়েৰ গৃছা মোটা,
হেচ্চ' মাথায় মাওইৰা চুল, চক্ষু নাটা নাটা।

২২। হেচ্চ' শঙ্খিণী নাৰীৰ যেমন হাতে শঙ্খ বাজে,

হেচ্চ' কাল ৰাত্ৰে খাইল' পতি নাকেৰ' শ্বাসে।
২৩। হেচ্চ' ভাশুৰ খাইল', শশুৰ খাইল', খাইল' নিজ পতি,
হেচ্চ' লম্ফ দিয়া উঠল' যাইয়া বাপ-ভাইয়েৰ বাড়ি।
২৪। হেচ্চ' বাপ খাইল', মা খাইল' খাইল জ্যেষ্ঠ ভাই,
হেচ্চ' তবু অভাগা নাৰী নাচিয়া বেৰায়।
২৫। হেচ্চ' সতী নাৰীৰ পতি যেমন পৰ্বতেৰ চূড়া,
হেচ্চ' অসৎ নাৰীৰ পতি তেমন ভাঙ্গা নাওয়েৰ গুৰা।
২৬। হেচ্চ' স্বৰ্গে ছিল গোৰকোনাথ, মৰ্তেতে নামিল',
হেচ্চ' কলিৰ জীৱে কইৰা পূজা মান্য ৰাখিল'।

*ধ্বনি :* গোৰকোনাথ ঠাকুৰানন্দে হৰি হৰি ব'ল'।
হৰি ব'ল।।

এই লাচাৰি শেষ হ'লে ৰাখালগণে যীৰতি গাই আৰু গৰু পোৱালিক আশীৰ্বাদ কৰিবলৈ গোহালিৰ ভিতৰত প্ৰৱেশ কৰে। গৃহস্থই পূজাৰ আসনত স্থাপন কৰা পানী ঘঁট হাতত লৈ গোহালিত সোমাই ঘঁটৰ পানীৰে গৰুৰ ভৰি ধোৱাই লৈ গৰুৰ শিঙত মিঠাতেল ঘঁহে আৰু গাই গৰুৰ কপালত সেন্দুৰৰ ফোঁট দিয়ে আৰু ফুল পুষ্পেৰে পূজা কৰে। ইয়াৰ পাছত ৰাখালগণে গাই ও গাই পোৱালিক আশীৰ্বাদ দান স্বৰূপ কেই শাৰীমান শ্লোক মাতে। এইবোৰ এনে ধৰণৰ :—

১। আটিলা মাটি চন্দন ফোঁটা,
গাই বিয়াইল পাথৰ কাটা,
গাইয়েৰ নাম চিনাডুলী,
বিনা জলে গোবৰ গুলি অ',
এই বাড়ীগো শ গাই,
বছৰ বছৰ নাড়ু খাই, অ'।

**পালেৰ ৰাখান :**

একাছি বলধ দুকাছি গাই,
পালেৰ ৰাখান গাইয়া যাই।
পালে আছে ধবল গাই,
তাৰ শ্ৰীতে দুদু খাই।
দুদু খাইতে নড়ে-চড়ে,
সাত ৰাখালৰা টইলা পৰে,
সাত ৰাখালেৰ সাত নাৰি,
বুইড়া ৰাখালেৰ এক নৰি।
আন নৰি টান দিয়া,
ফালা নৰি বাগ দিয়া।
জম দোয়াৰেৰ বাগুন গাছটি,
টল মল কৰে।
আয় ৰাখালৰা বনে যাই,
বনে যাইয়া ডবল খাই।
ডবল খাইয়া ফালাইলাম বিচি,
সাত ৰাখালে জেইতা উঠি।
জেইতা উইঠা দিলাম ফাল,
ঐযে আমাৰ গৰুৰ পাল' অ'।

ইয়াৰ পাছত প্ৰসাদ বিতৰণ হয় ও সকলোৱে প্ৰসাদ গ্ৰহণ কৰি তামোল-পাণ খাই ঘৰাঘৰি যায়।

### তিন নাথ ঠাকুৰৰ মেলা

কৃষি জীবী এই সম্প্ৰদায়টোৰ লগত তিন নাথ ঠাকুৰৰ মেলা ওতঃপ্ৰোতঃ ভাৱে জড়িত। গো ধনৰ বেমাৰ আজাৰ হ'লে, গো ধন হেৰালে, ৰোগ আৰোগ্য বা হেৰুৱা গৰু বিচাৰি পোৱাৰ আশাত এই পূজা কৰে। তিন নাথৰ মেলাৰ উপচাৰ :— ১। আগলতি কলপাত, ২। তিনি পাহ ধুতুৰা ফুল, ৩। ঘঁট, আমশৰা, তামোল-পাণ, ৪। এখিলা পাণেৰে তিনিটা খিলি, তাত কটা তামোল, আসনত দিয়া হয়। ৫। তিনিটা কক্কি (ছিলিম) তাত গাঞ্জা সজাই জুই ধৰি দিব লাগিব, ৬। এটি মাটিৰ চাকি, তাত মিঠাতেল দি তিনিডাল শলিতা জ্বলাই দিয়া হয়, ৭। ধান, দুবৰি, ৮। বাতাচা। এইখিনি তিন নাথৰ নামত আগবঢ়াই দি এটি ধ্বনি পুনঃ পুনঃ তিনিবাৰ দিয়া হয় এই বুলি "ব্ৰহ্মা, বিষ্ণু, শিৱ, তাৰা একেই তিন, তিনেই এক, ব্ৰহ্মা নিল তৈল-শলতা, বিষ্ণু নিল পাণ, শিৱ নিল গাঞ্জা তিন নাথ ঠাকুৰ আনন্দে হৰি ধ্বনি ব'ল, হৰি ব'ল"।

### তিন নাথে ঠাকুৰৰ মেলাৰ গান

তিননাথ ঠাকুৰৰ গীত বহুকেইটা আছে যদিও, ইয়াৰে কেৱল এটাহে তলত উল্লেখ কৰা হ'ল :

তিন নাথ আয়, তিন নাথ আয়ৰে,
লগাইয়া চান্দেৰ বাজাৰ ৰহিলা কোথায়,



তিন নাথ আয়, তিন নাথ আয়ৰে।
১। অ' তিন নাথ হে,
সাধন না জানি আমি, ভজন বিহীন,
অ' হাৰে ভজনেৰ বিহীন।
তব যদি কৰ দয়া আমায়
দেইখা দীন হীনৰে,
তিন নাথ আয়, তিন নাথ আয়ৰে,
লাগাইয়া চান্দেৰ বাজাৰ ৰহিলা কোথায়।।
২। অ'ৰে তোমাৰ তাল, তোমাৰ যন্ত্ৰ,
উপলক্ষ আমি, হাৰে উপলক্ষ আমি।
তুমি নিজ গুণে দয়া কইৰা
যন্ত্ৰ বাজাও আইসা তুমি হে,
তিন নাথ আয়, তিন নাথ আয়ৰে,
লাগাইয়া চান্দেৰ বাজাৰ ৰহিলা কোথায়।

ইয়াৰ পাছত প্ৰসাদ বিতৰণ হয় ও সকলোৱে প্ৰসাদ গ্ৰহণ কৰি তামোল-পাণ খাই ঘৰাঘৰি যায়।

### মাঘ বিহু/গৰু বিহু

পুহ মাহৰ উৰুকাৰ দিনা দুপৰীয়া প্ৰত্যেকজন গৃহস্থই নিজৰ নিজৰ গৰুবোৰক গা ধোৱাই দিয়ে। উৰুকাৰ নিশা গোটেই ৰাতি ভোজ-ভাত খাই শেষৰাতি গৃহস্থই গা ধুই আহি তুলসীৰ তলত চাকি-বন্তি জ্বলাই সেৱা লৈ মাটিৰ ছিলিমেৰে পিঠা গুৰিৰ ছাঁপ দি উঠি গোহালি ঘৰত প্ৰৱেশ কৰি প্ৰত্যেকটো গৰুৰ চৰণ ধুৱাই দিয়ে। ইয়াৰ পাছত বলধ আৰু ষাঁড় গৰুৰ শিঙত মিঠাতেল ঘহি দিয়ে আৰু গাই গৰুৰ কপালত সেন্দুৰৰ ফোঁট দি উঠি প্ৰত্যেকটো গৰুৰ চৰণত ধান আৰু দুবৰি বনেৰে পূজা দি সেৱা লয়। ইয়াৰ পাছত পিঠা গুৰি পানীৰে গুলি লৈ মাটিৰ ছিলিমেৰে গৰুবোৰৰ গাঁত ছাঁপ দিয়ে, যাক গৰুক পিঠা খুউৱা পৰ্ব বোলে। ইয়াৰ পাছত গৰুবোৰক গোহালিৰ পৰা এৰি দিয়ে। পালৰ বয়স্থ বলধ গৰুটোৱে গোহালিৰ পৰা ওলাই আহি প্ৰথমতে যিডোখৰ ঠাইত শুঙিব, পিছৰ বছৰ বাৰিষাৰ পানী সেই উচ্চতালৈ উঠে বুলি জনবিশ্বাস আছে। এয়েই নমশূদ্ৰ সম্প্ৰদায়ৰ গৰু বিহু।

### গো-ফাগুনা

নমশূদ্ৰ লোকৰ গৰুকলৈ আন এটা পৰম্পৰাগত সংস্কৃতি হৈছে 'গো-ফাগুণা'। গো-ফাগুণা ফাগুন মাহৰ পূৰ্নিমা তিথিত অনুষ্ঠিত হয়। এই দিনটোতে গৃহস্থই ৰাতি পুৱাই গৰুবোৰক খাল বা বিললৈ লৈ গৈ ঘহি-পিহি গা ধোৱাই দিয়ে। এইখিনিতে উল্লেখযোগ্য যে, গৰুক গা ধোৱাবলৈ লৈ যাওঁতে গৰখীয়াবোৰে হাতত এছাৰিৰ সলনি বিষ কাটালি, কুমিৰা কাটা, বন্যাৰ ডাল আদিৰে গৰুক মৃদু মৃদু কোবায় আৰু এই ফাঁকি শ্লোক মাতে— "বন্যাৰ ডাল দিয়া দিলাম বাৰি, কাষ্টি গেল গোৱাল বাড়ি, গোৱালৰা খায় পান্তা ভাত, কাষ্টি মৰে ঠাস ঠাস"। সিদিনা বিলৰ পাৰৰ গৰুক গা ধোওৱা দৃশ্য বৰ আমোদজনক। বিলৰ পাৰত মেলা সদৃশ পৰিৱেশ গঢ়ি উঠে। ইয়াৰ পাছত গৰুবোৰক পথাৰত চৰিবলৈ দিয়ে। গধূলি হোৱাৰ পৰত গৰুবোৰক ঘৰলৈ লৈ আমি গোহালিত বান্ধি লৈ বিষ কাটালি, কুমিৰা কাটা, বন্যাৰ ডাল, তেৰ প্ৰকাৰৰ কাঁইট আৰু কাছুৰ চাৰা (কালি কাইঠা) আদিৰে গোহালিৰ ভিতৰত জগা দিয়ে। এই ব্যৱস্থাটোৱে গৰুবোৰক বহু বেমাৰৰ পৰা মুক্তি দিয়ে।

### মৃত গৰুৰ সৎকাৰ

জন্মিলে মৰণ আছে, এইটো প্ৰকৃতিৰ নিয়ম। সকলো জীৱই মৰণশীল। মানুহ মৰিলে পৃথিৱীৰ সকলো জাতিয়েই নিজা নিজা সামাজিক ৰীতি অনুযায়ী মৃতকৰ সৎকাৰ কৰে। কিন্তু গৰু মৰিলে সামাজিক ৰীতি অনুযায়ী সৎকাৰ কৰাৰ পৰম্পৰা হয়তো কেৱল মাত্ৰ নমশূদ্ৰ সম্প্ৰদায়হে আছে। গৰু মৰিলে মৃত গৰুক গাত খান্দি পুতি থোৱাৰ নিয়ম বৰ্তমানলৈ বিদ্যমান। চাৰি/পাঁচ ফুট গাত খান্দি মৃত গৰুক উত্তৰমুৱাকৈ শুৱাই দি গৃহস্থই প্ৰথমতে ধান আৰু দুবৰী হাততলৈ গোৰখ ঠাকুৰক সেৱা জনাই মৃত গৰুৰ গাত ছটিয়াই দি গাতৰ বিপৰীত পিনে মুখ কৰি হাতেৰে মাটি ছটিয়াই গাঁতত দিয়ে। ইয়াৰ পাছতহে কোৰেৰে মাটি দি গাঁতটো পূৰাই দি স্নান কৰি গৃহ প্ৰৱেশ কৰে। ■

# আধ্যাত্মিক বিদ্যা আৰু মানৱতা
## (চিন্তা-প্ৰবাহ)

শ্ৰীঅতুল চন্দ্ৰ না
সহকাৰী অধ্যাপক, অসমীয়া বি

মানুহৰ অস্থিৰ-চঞ্চল মনৰ ৰহস্যময়তা সংযম, শৃংখলা, সুমতিৰ দ্বাৰা যিমানে নিয়ন্ত্ৰণৰ অধীনত বন্ধ কৰিবলৈ সংস্কৃতিবান পুৰুষবৰ্গৰ দ্বাৰা প্ৰচেষ্টা কৰা নহওক কিয় সহজ-সৰল-সংস্কৃত জীৱনটোক বিচ্ছিন্ন তুচ্ছ-অৰ্থহীন কৰিবলৈ দুখ-কষ্ট, লাঞ্চনা-গঞ্জনা দিয়াজনৰ যি ধৰ্ম কৰ্তব্য সি নকৰাকৈ কেতিয়াও নাথাকে, এইবোৰ কৰিয়েই সি পৰম তৃপ্তি-আনন্দ সুখ অনুভৱ কৰে। সাধাৰণ কি অসাধাৰণ সকলো মানুহৰ ওপৰত মনে প্ৰভাৱ বিস্তাৰ কৰিব বিচাৰে। যাৰ ফলস্বৰূপে আমাৰ দেহত মনে ছয়ৰিপু অৰ্থাৎ কাম, ক্ৰোধ, লোভ, মোহ, মদ আৰু মৎস্যৰ্যৰ সহায়ত শ্ৰেষ্ঠ মানৱ ৰূপটোক পশুতুল্য কৰি তোলে। কিন্তু বিবেক তথা আত্মাৰ দ্বাৰা পৰিচালিত ঈশ্বৰ বিশ্বাসী লোকে আধ্যাত্মিক বিদ্যাৰে প্ৰকৃত শিক্ষিত হোৱা হেতু ছয়ৰিপুৰ আক্ৰমণত পৰিলেও জিতেন্দ্ৰিয় নাম পায়।

বৈজ্ঞানিক-যান্ত্ৰিক এই অতি সাম্প্ৰতিক যুগটোত দেখা গৈছে মানুহে পূৰ্বৰ আধ্যাত্মিক বিদ্যাক যিয়ে মানুহক মানুহ কৰি ৰাখে, দেৱতা সজায় তাক হেয় প্ৰতিপন্ন কৰি নানা বিষয় তথা বৃত্তিগত জ্ঞানত শিক্ষিত হৈ নিজকে শ্ৰেষ্ঠ মানি মানৱতাক পাহৰি গৈ ভোগ-বিলাসৰ জীৱনৰ প্ৰতি প্ৰৱল ধাউতি হোৱাটো নিজৰ জীৱন, জনগণ আৰু দেশৰ কাৰণেই শুভ লক্ষণ নহয়। জীৱন নিৰ্বাহৰ কাৰণে মানৱতাক বিসৰ্জন দিবলৈ যোৱাটো প্ৰকৃত মানৱ জীৱনেই হ'ব নোৱাৰে।

আমি মানুহ। আমাৰ মানৱতাৰ শিক্ষা আৰু আধ্যাত্মিক বিদ্যা জীৱনৰ আদি চোবাতে অৰ্জন কৰিবলৈ বাধ্যবাধকতা থাকিব লাগে। এনে শিক্ষা অবিহনে বা প্ৰযুক্তিগত যিমান শিক্ষা, উচ্চ শিক্ষা লোৱা যাওঁক কি এজন সম্পূৰ্ণ মানুহ হিচাপে গঢ় ল'ব নোৱাৰি। তাৰ প্ৰম হিচাপে বৰ্তমান সমাজত মানুহেই মানুহৰ মাজত কৰি ধ অপহৰণ, বলাৎকাৰ, শোষণ, আক্ৰমণ আদি নানা ধৰ হিংসা-ঈৰ্ষাজনিত কাৰ্য আদি। এনে দুৰ্যোগ সন্ধিক্ষণত সু শান্তি-আনন্দই কাকো আহি লগ দিব নোৱাৰে। এনেস্থল দুনীৰ্তিৰে ধন ঘটাৰ অৰ্থ ক'ত? প্ৰকৃততে আমাৰ কথা আ কামৰ সততা যুক্ত হ'লে, কোনো লোকক আঘাত দি নহ'লে তেনেহ'লে বুজিব লাগিব ইয়াত মানৱতা গুণ নিহি হৈ আছে। মানুহৰ কৰ্মৰাজি সততা, ন্যায়নি পৰোপকাৰযুক্ত, বিদ্বেষহীন আদি হ'বলৈয়ে আধ্যাত্মি বিদ্যাৰ আৱশ্যকতা আছে। আধ্যাত্মিক বিদ্যাৰ জৰিয়তে এজন মানুহ মানৱতাবাদী হ'ব পাৰে। সেয়ে আ মানুহবোৰে যি ধৰ্মৰে ভিতৰুৱা নহওক কিয় আধ্যাত্মি বিদ্যাৰে বিদ্যাৱন্ত হৈ মানৱতাবাদী হ'ব নোৱাৰালৈকে আ এটাই জাতি সেয়ে মানৱজাতি বুলি কেতিয়াও ক নোৱাৰো আৰু আমি সিহঁত ভাবেৰে নীচভাৱৰ গৰা থাকি নিজৰ জীৱনক তুচ্ছ-নিম্ন বা অবিদ্যাত থকা পৰিচয় দিয়া হ'ব। মানুহ হৈ মানুহৰ উপকাৰ মঙ্গল কাম কৰিব পাৰে মানৱতাবাদীয়েহে।

আজি এনে গুণ থকা মানুহ হাজাৰজনৰ মাজ নিশ্চয় এজনো বিচাৰি পোৱা নাযাব। প্ৰায় লোকেই স্বাৰ্থ দাস, মোহৰ দাস। কোনোৱে কাৰো হিত চিন্তা নকৰি মানৱতা থাকিব ক'ত? অতি দুখজনক কথাটো হৈছে—



"আমি য'ত আছো, যি পাইছো তাত সন্তুষ্ট নহওঁ।" তাতোকৈ ডাঙৰ কথাটো হ'ল — "আমি লোভৰ জালত পৰি মনুষ্যত্ব বিসৰ্জন দিলো। প্ৰাপ্যখিনিতে সন্তুষ্ট নহৈ আওবাটেৰে কেনেকৈ ক'লা টকা পোৱা যাব তাকলৈ বলিয়া। কৰ্মৰ প্ৰতিও স্পৃহা কমি গ'ল। পাল মাৰি সময় কেনেকৈ খেদাব পাৰি তাৰেই চিন্তা। মাথোন ওপৰতে ধন পোৱাৰ বাসনা অহোৰাত্ৰী।" গতিকে এনেবোৰ কাৰণতে পূৰ্বৰ নালন্দা, তক্ষশীলা, উজ্জয়িনী আদি বিশ্ববিদ্যালয়ত দিয়া আধ্যাত্মিক বিদ্যাৰ প্ৰয়োজনীয়তা বৰ্তমান সমাজ ব্যৱস্থা তথা শিক্ষানুষ্ঠানত বিশেষ প্ৰয়োজনীয়তা অনুভৱ কৰো।

মৰম-স্নেহ, সহানুভূতি, দয়া, ক্ষমা, উপকাৰ, অহিংসা, শ্ৰদ্ধা আদি মানৱতাই সামৰি লয়। তেনেকৈ যোগতত্ব, ঈশ্বৰ, আত্মা, জীৱাত্মা, জীৱ, দেহ, ইহজন্ম, পৰজন্ম, ভক্তি কৰ্মফল, পঞ্চভূত, ৰিপু, পঞ্চতত্ব, চৌবিশ তত্ব, ঈশ্বৰ তত্ব, জ্ঞানেন্দ্ৰিয়, কামেন্দ্ৰিয়, ৰস, ধাতু আদিক আধ্যাত্মিক বিদ্যাত বিচাৰি পোৱা যায়। অৱশ্যে মানুহে যে জীৱক বা মানুহক দুখ-কষ্ট নিদিয়াকৈ জীয়াই থাকিব লাগে তাকেই যেন আধ্যাত্মিক বিদ্যাই কয়। সেয়ে আধ্যাত্মিক বিদ্যাৰ প্ৰয়োজনীয়তা কিমান আছে বিচাৰ্য বিষয়। উপনিষদত আছে ঃ

"যস্ত্ৰ সৰ্ব্বানি ভূতানি আত্মান্যৱানু পশ্যতি।
সৰ্বভূতেসু চাত্মানাং ন ততো বিজুগু.........।।"

অৰ্থাৎ যিজনে প্ৰাণীক নিজৰ দৰেই দেখে আৰু আত্মাক সকলো প্ৰাণীতে দেখে, তেওঁ লুকাই নাথাকে, সকলোৰে মাজত প্ৰকাশিত হয়। ঈশ্বৰৰ বাণীয়েই হ'ল-

"Help him as I helped you."

অতি পৰিতাপৰ কথা আমি মানুহবোৰে অতবোৰ কথা জানিও মানবীয় দিশেৰে ইজনে-সিজনক নাচাও, সদায় মাথোন এজনে আনজনক হয় কথাৰে নহয় কাৰ্যৰে অন্তত দুখ-কষ্ট দিয়া কাৰ্যতে যেন আছো।

সাধাৰণতে দেখা যায় চৰকাৰখন গঠন কৰা হয় দেশ জনগণৰ সেৱা তথা উন্নতি-কল্যাণ সাধনৰ উদ্দেশ্যে; কিন্তু মন্ত্ৰী-বিধায়কসকলৰ আধ্যাত্মিক দিশটোৰ লগত পৰিচয় নাথাকেই নেকি যাৰ ফলস্বৰূপে দুই-এজনৰ বাহিৰে প্ৰায় সকলেই মনৰ অধীনত ছয়ৰিপুৰ দাসত্ব মানি আত্মস্বাৰ্থত সকলো প্ৰতিশ্ৰুতি পাহৰি যায়।

আধ্যাত্মিক বিদ্যাৰ কথা হ'ল — 'পৰমানন্দৰ স্বাদ নাপালে মানুহে ইন্দ্ৰিয়-তৃপ্তি পৰিত্যাগ কৰিব নোৱাৰে।' আজি বিভিন্ন বিভাগৰ বিষয়া কৰ্মচাৰীসকলৰ এনে আধ্যাত্মিক জ্ঞান থকা হ'লে ইন্দ্ৰিয় তৃপ্তিৰ নৰকগামী পথ এৰিবলৈ নিশ্চয় প্ৰচেষ্টা কৰিলেহেঁতেন। ভাৰতবৰ্ষ ঋষি-মুনিৰ দেশ, গান্ধী-বিবেকানন্দ (স্বামীজী)ৰ দেশ, দৰ্শনৰ দেশ, ৰামায়ণ-মহাভাৰত মহাকাব্যৰ দেশ, গীতা-ভাগৱতৰ দেশ, মহা যোগীসকলৰ দেশ। এনে এখন আধ্যাত্মিক বিদ্যা তথা সু-সংস্কৃতি দেশত মানুহে মানুহৰ ওপৰত কৰা শোষণ -উৎপীড়ণ, ঠগ-প্ৰবঞ্চনা, ধৰ্ষণ-বলাৎকাৰ, আত্মকেন্দ্ৰিক-তাৰ প্ৰাৱল্যতাই গোটেই দেশখনত ৰাজত্ব চলোৱাটো পৃথিৱীৰ ভিতৰতে এখন বৰ্বৰ-অসভ্য দেশৰ পৰিচয় বহন কৰাটো একেবাৰে নিন্দনীয় আৰু লজ্জাজনক কথা। সেয়ে পূৰ্বৰ সেই পূত পবিত্ৰ বিশাল ভূমিখন আমাৰ উচ্চ শিক্ষিত, পণ্ডিত, গৱেষক, শিক্ষকসকলে আত্ম-স্বাৰ্থ ত্যাগ কৰি চিন্তাশীল শিক্ষাবিদসকলৰ সৈতে যদি লগ লাগি দুনীতি-ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে থিয় দিবলৈ সৎ সাহস নকৰে তেতিয়া হ'লে তেওঁলোকৰ জীৱনৰ সাৰ্থকতা হ'ল — নহ'ল নিজকে নিজে উপলব্ধি কৰিব। ডান্টে আলিঘেৰিৰ 'ডিভাইন কমেডিত' আমি নিশ্চয় পঢ়িছোঁ — ***"যিবোৰ মানুহে সমাজৰ গভীৰ নৈতিক সংকটৰ সময়ত কোনো এটা পক্ষ নলৈ নিৰপেক্ষতা অৱলম্বন কৰে, তেওঁক স্থান দিয়া হয় নৰকৰ আটাইতকৈ উত্তপ্ত জ্বলন্ত ঠাইখনত।"*** কথা হ'ল দেশৰ এনে নৈতিক অধঃপতনৰ বেলিকা চিন্তাশীল বুদ্ধিজীৱীসকলে নিজে ওলাই আহি আন সকলকো জাগ্ৰত কৰিব লাগিব। বিশেষকৈ দেশ জনগণৰ ভৱিষ্যতৰ কথা আগত ৰাখি। অন্যথা বৰ্তমানৰ পৰিৱেশ পৰিস্থিতিয়ে ভৱিষ্যতে কি ভয়ংকৰ ৰূপ ল'ব ই অসহনীয় এখন ছবি অংকন কৰি আছে। সাধাৰণতে দেখা গৈছে বাহিৰ জগতখন যিমান শিক্ষিত সভ্যৰ দৰে পৰিচয় দিবলৈ গৈছে অন্তৰ্দৃষ্টিত কিন্তু মানুহবোৰ অজ্ঞতাৰ অন্ধকাৰতহে ডুবগৈ থকা পৰিলক্ষিত হয়। গভীৰভাৱে এই কথাষাৰ আপুনিও ভাবক, তেখেতকো ভাবিবলৈ দিয়ক। আমাৰ শিক্ষিত-জ্ঞানীসকলে

জানে — "ভোগ আৰু ঐশ্বৰ্য্য সুখৰ প্ৰতি আসক্ত বিবেক বৰ্জিত মূঢ় ব্যক্তিয়ে ভগৱানৰ প্ৰতি একনিষ্ঠতা দেখুৱাব নোৱাৰে।" এনে তত্ব গধূৰ মূল্যবান কথা জানিও আমি সৰহভাগ শিক্ষিতলোকৰ মাজতে ঈশ্বৰ ভক্তিৰপৰা বহু দূৰত থকা দেখিবলৈ পাওঁ। ঈশ্বৰ বিশ্বাসৰ মাজেদিহে মানুহক ভাল পাব পাৰি। মানৱ জীৱন ধৰি ধন-অৰ্থ লাভ কৰাৰ পিছত তথা জ্ঞান অৰ্জনৰ পিছত সেই ধন-অৰ্থ আৰু জ্ঞান আনৰ উপকাৰত যদি নাহে ই হৈ পৰে অৰ্থহীন।

জীৱবোৰ হ'ল ভগৱান শ্ৰীকৃষ্ণৰ অবিচ্ছেদ্য অংশ। সেয়ে জীৱৰ কৰ্তব্য হ'ব লাগে ঈশ্বৰ সেৱাৰ মাজেদি মানৱ প্ৰেম। এনে জ্ঞান যিজনৰ হৈছে তেওঁ উচ্চ পদস্থ বিষয়া, ডাক্তৰ, অভিযন্তা, উকীল, শিক্ষক, কেৰাণী যি পদতে থাকি ৰাজকৰ্মচাৰী হিচাপে পৰিচয় নিদিয়ক কিয় মানৱতা গুণেৰে বিভূষিত 'Service' ৰ নামত মানৱ সেৱাহে কৰিব; দুৰ্নীতিৰ আশ্ৰয়ত আত্মসাৎ কৰি দেশৰ উন্নয়নত হেঙাৰ নহয়। অতি দুখৰ বিষয় এনে পদবীধাৰীসকলৰ ভোগবাদৰ প্ৰতিযোগীতাই অমানুহ কৰাহে পৰিলক্ষিত হয়। আজিৰ দেশত ৰক্ষকে ভক্ষক। বোলে কাক বুলিম ককা, সকলোৰে ডাঢ়ি-চুলি পকা। অৱশ্যে এনে কথাও সত্য নহয়। আমাৰ দেশ তথা সমাজত ভাল মানুহ বুলিবলৈ সংখ্যাত তাকৰ যদিও একেবাৰে নিঃশেষ হৈ যোৱা নাই। সেয়ে আশা কৰোঁ এইসকলেই সমালোচনা, হিংসা-নিন্দা, অপযশ অপবাদ, তুচ্ছ-হেয়তা, ঠাট্টা-তাচ্ছিল্যৰ বেৰবোৰ ভাঙি দেশ-জনগণৰ কল্যাণৰ স্বাৰ্থত আগবাঢ়ি ওলাই আহিব লাগিব। তাকে দেখি নিৰপেক্ষ ভূমিকা লোৱা সকলেও পিছে পিছে ওলাই আহিব লাগিব। নিশ্চয় দুস্কৃতিকাৰীয়ে পৰাজয় স্বীকাৰ কৰিব আৰু সৰহ সংখ্যক লোকেই আদৰ্শৰ জীৱনক আকোৱালি ল'ব।

মাৰ্চেলৰ এষাৰ উক্তি মনত পৰিছেঃ "সত্যৰ দ্বাৰাই সত্য লাভ কৰিব পাৰি। হিয়াদান কৰিলেহে হিয়া পাব পাৰি।" মানুহৰ জীৱনেই হ'ল মানুহৰ উপকাৰ কৰা। তেনেস্থলত মানুহে মানুহক অন্যায় কৰাটো কিমান নৰকগামী -পাপকৰ্ম হ'ব গভীৰভাৱে বিচাৰ কৰিবলগীয়া। এইখিনিতে যুধিষ্ঠিৰৰ বাক্য এষাৰ কোৱা হওঁক — "লোভ মানুহৰ অনন্তব্যাধি।" কিন্তু লোভক প্ৰশ্ৰয় দি মানুহে নিজেই লোভৰ বলী হৈ আছে। মুগধ মানৱে তাকে নাজানি লোভকে সুহৃদ-সখা বুলি ভাবি লোৱাত নিজৰ লগতে দেশলৈ ধ্বংস মাতি আনিছে।

ওপৰোক্ত ভাৱৰাজিত দৃঢ় মনাহৈ বিবেকে আধ্যাত্মিক বিদ্যা আৰু মানৱতাক শ্ৰেষ্ঠ মানি মানৱৰ কাৰণে অতীব প্ৰয়োজনীয়তা স্বীকাৰ কৰে। ■

আশা আছে বাবেই পৃথিৱীখন ইমান ধুনীয়া। — **হেম বৰুৱা**

✧ ★ ✧

এটা পুখুৰীত মাগুৰ, চেং, পুঠি, শিঙি আদি বিভিন্ন মাছ থাকিলেও পুখুৰীৰ মাছ বুলিয়েই কোৱা হয়। অসমত বিভিন্ন সম্প্ৰদায়ৰ মানুহ থাকিলেও মূলতঃ সকলো অসমীয়া।

— **বেণুধৰ শৰ্মা**



# মহিলা সৱলীকৰণ আৰু শিক্ষা
## (Women Empowerment and Education)

ৰেজা ছাদুল্লাহ আহমেদ
সহকাৰী অধ্যাপক, শিক্ষা বিভাগ

সবল শব্দৰ অৰ্থ হৈছে বলী। মহিলা সৱলীকৰণ বুলি কথাষাৰৰ দ্বাৰা মহিলাসকলক আৰ্থসামাজিক ভাৱে বলী অৰ্থাৎ শক্তিশালী কৰি তোলা কথাটোক বুজায়। সৱলীকৰণ হৈছে এনে প্ৰাক্ৰিয়া যি প্ৰক্ৰিয়াৰ যোগেদি এজন ব্যক্তিক বিভিন্ন ক্ষেত্ৰত নিজস্বভাৱে সিদ্ধান্ত গ্ৰহণত যোগ্যতা অৰ্জনৰ বাবে প্ৰয়োজনীয় আত্মাক বিশ্বাস আৰু আত্মানিৰ্ভৰশীলতাৰ সৃষ্টি কৰাৰ উপযুক্ত কৰা হয়। মহিলাসকলক সকলো প্ৰকাৰৰ আমি সামাজিক দমন-পীড়নৰ পৰা মুক্ত কৰি পুৰুষৰ সমানে সকলো প্ৰকাৰৰ অধিকাৰ প্ৰধান কৰা প্ৰক্ৰিয়াক সবল অৰ্থত মহিলা সৱলীকৰণ আখ্যা দিয়া হয়। মহিলা সৱলীকৰণ হৈছে এনে এক প্ৰক্ৰিয়া যি প্ৰক্ৰিয়াই মহিলাসকলক অধিক স্বাধীনতা পোৱাত নিজৰ জীৱনত কাৰ্যৱলী নিয়ন্ত্ৰণৰ বাবে অধিক সুযোগ পোৱা, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি বিভিন্ন ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণৰ আৰু সম্পদৰ ব্যৱহাৰ অধিক সুযোগ লাভ কৰিবলৈ উপযুক্ত কৰি তোলে। সহজ অৰ্থত সৱলীকৰণ প্ৰক্ৰিয়াই মহিলাসকলক নিজৰ সিদ্ধান্ত গ্ৰহণৰ যোগ্যতা প্ৰদান কৰে আৰু আত্মবিশ্বাসী কৰি তোলে। আনহাতে এই প্ৰক্ৰিয়াই জীৱনত বিভিন্ন পৰিস্থিতিত নিজকে সময়োজনৰ ক্ষমতা প্ৰদান কৰে। এই প্ৰক্ৰিয়াই নাৰীজাতিক অৰ্থনৈতিক ভাৱে স্বাধীন কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। মহিলা সৱলীকৰণৰ শুদ্ধ অৰ্থ হৈছে মহিলাসকলক অধিক শক্তিশালী কৰি তোলা। কিন্তু এই শক্তিশালীকৰণ শব্দৰ অৰ্থই আন কাৰোবাক দমন কৰাক নুবুজায়।

মহিলা সৱলীকৰণৰ দ্বাৰা মহিলাসকলক তলত দিয়া ধৰণে শক্তিশালী কৰা বুজায়। যেনে ঃ—

১) জীৱনৰ বিভিন্ন সমস্যাৰাজিৰ সন্মুখীন হ'বৰ বাবে মহিলাসকলক আভ্যন্তৰীনভাৱে শাক্তিশালী কৰি তোলা।
২) জীৱনৰ কোনো সিদ্ধান্ত গ্ৰহণৰ অধিকাৰ প্ৰদান কৰা।
৩) জীৱনৰ বিভিন্ন ক্ষেত্ৰত প্ৰভাৱিত কৰা সামাজিক প্ৰক্ৰিয়াসমূহক প্ৰভাৱিত কৰা।
৪) সামাজিক পৰিবৰ্তনত অৱিহণা যোগোৱাৰ দক্ষতা অৰ্জন কৰা।

**মহিলা সৱলীকৰণৰ লক্ষ্য ঃ (Objectives of women Empowerment)**

মহিলা সৱলীকৰণৰ প্ৰধান লক্ষ্যসমূহ হ'ল —

* লিংগ বৈষম্যৰ ভাৱ গুচোৱা *( Romoving Gender in parity)*

মহিলা সৱলীকৰণৰ মূল উদ্দেশ্য হৈছে পুৰুষ আৰু মহিলাৰ মাজত থকা বৈষম্যমূলক ভাৱ আৰু আচৰণ নোহোৱা কৰা। এই বৈষম্যমূলক ভাৱ থকালৈকে দেশৰ আৰ্থ সমাজিক বিকাশ সাধন হৈ উঠিব নোৱাৰে।

* সমমৰ্যদা প্ৰদান ঃ *(Giving Equal Status)*

জাতি, ধৰ্ম, লিঙ্গ, নিৰ্বিশেষে সকলো লোকক সমান মৰ্যদা প্ৰদান কৰাটো সংবিধানত গণতন্ত্ৰৰ প্ৰধান চৰ্তবিশেষ। ই এক মানৱীয় অনুভূতি যাক মানুহৰ মনত আৰু ক্ৰিয়া আচৰণত বিকশাই তুলিব লাগে।

* অৰ্থনৈতিক স্বাধীনতা প্ৰদান ঃ *(Giving Economic*

***freedom)***

পৰিয়ালত স্বামী-স্ত্ৰী মাজত অৰ্থনৈতিক স্বাধীনতা আৰু নম্ৰতাৰ ভাব নথকাৰ বাবেহে মহিলাৰ প্ৰতি পুৰুষে বৈষম্যৰ ভাব প্ৰদৰ্শন কৰে। সেই বাবে মহিলা সবলীকৰণৰ প্ৰধান চৰ্ত হৈছে অৰ্থনৈতিক দিশত পুৰুষৰ দমনমূলক মনোভাব নাইকিয়া কৰা।

*** মহিলাৰ ৰাজনৈতিক ক্ষমতা প্ৰদান : *(Giving Political Power)***

গণতান্ত্ৰিক নীতি আদৰ্শৰ ভিত্তিত মহিলাসকলক তেওঁলোকৰ ৰাজনৈতিক ক্ষমতা প্ৰদান কৰিলেহে মহিলাসকলৰ মন আৰু আচৰণ সবল আৰু শক্তিশালী হৈ উঠিব পাৰে।

*** শিক্ষাৰ সমান সুবিধা প্ৰদান *(Giving Equal Opportunity of Education)***

মহিলা সবলীকৰণৰ আন এক প্ৰয়োজনীয় চৰ্ত হৈছে শিক্ষা ক্ষেত্ৰত পুৰুষ-নাৰীক সমান সুবিধা প্ৰদান কৰা। শিক্ষাই মহিলাসকলৰ মনত আত্ম-বিশ্বাসৰ ভাব আৰু আচৰণ গঢ় দি তুলিব পাৰে।

*** চিন্তা আৰু বিচাৰকৰণৰ স্বাধীনতা : *(Freedom of thought and Judgement)***

এজন ব্যক্তি প্ৰকৃত অৰ্থত স্বাধীন হৈ উঠিব পাৰে তেওঁৰ মুক্ত চিন্তা আৰু বিচাৰকৰণৰ ক্ষমতা প্ৰয়োগকৰণৰ যোগেদিহে। মহিলা সবলীকৰণে ইয়াৰ কাৰ্যকৰী দিশত এই কথাৰেই বাস্তৱ ৰূপ দিবলৈ বিচাৰে।

*** জনসংখ্যা শিক্ষা : *(Population Education)***

পৰিয়াল আৰু সমাজত কেৱল পুৰুষেই একপক্ষীয় মনোভাৱ আৰু আচৰণেৰে জন্ম নিয়ন্ত্ৰণ সাৰ্থক কৰি তুলিব নোৱাৰে। ইয়াৰ বাবে মহিলাৰ সহযোগিতা অপৰিহাৰ্য। মহিলা সবলীকৰণৰ ধাৰণাই সেয়েহে দেশৰ আৰু পৰিয়ালৰ জন্ম নিয়ন্ত্ৰণৰ বাবে দিব লগা শিক্ষাৰ সাৰ্থক ৰূপদান কৰিব পৰে।

*** অন্তৰ্নিহিত ক্ষমতাৰ স্বীকৃতি প্ৰদান : *(Recognition of native potential)***

মহিলাসকলে তেওঁলোকৰ দৰিদ্ৰতা আৰু নিৰক্ষৰতা হোৱা হেতুকে বহু সময়ত নিজ সুপ্ত ক্ষমতা আৰু অন্তৰ্নিহিত যোগ্যতা চিনাক্তকৰণ আৰু স্বীকৃতি লাভ পৰা বঞ্চিত হয়। ইয়াৰ মানৱ সম্পদৰ বিকাশ সাধনৰ দিশ এক বিৰাট অপচয় বুলিব পাৰি। মহিলাসকলৰ সবলীকৰ এনে অপচয় ৰোধ কৰিব পাৰে।

*** দ্ৰুত আধুনিকীকৰণ : *(Quick Modernisation***

বিজ্ঞান আৰু প্ৰযুক্তি বিজ্ঞানৰ বহুল প্ৰসাৰৰ ফল দেশ আৰু সমাজত দ্ৰুত আধুনিকীকৰণ সংগঠিত হৈছে কিন্তু মহিলাসকলৰ শিক্ষা অনগ্ৰসৰতাৰ পৰিস্থিতিত এ দ্ৰুত আধুনিকীকৰণ সম্ভৱপৰ হৈ উঠিব নোৱাৰে। সেইবা মহিলা সবলীকৰণ এই প্ৰসংগতো এক অপৰিহাৰ্য চ বিশেষ।

গুণগত জীৱন, সুবিধাৰ ক্ষেত্ৰত সমতা আৰু মহিল সকলৰ সামাজিক ন্যায়ৰ ক্ষেত্ৰত চৰকাৰী প্ৰচেষ্ট (Governmental Efforts for achieving Quality Life, Equality of Opportunities and socia justice in relation to Women)

মহিলাসকলৰ বাবে গুণগত জীৱন, সুবিধাৰ ক্ষেত্ৰ সমতা আৰু সামাজিক ন্যায় প্ৰদানৰ ক্ষেত্ৰত প্ৰণালীব ব্যৱস্থা গ্ৰহণৰ বাবে চৰকাৰে নানা ধৰণৰ প্ৰচেষ্টা চলাই আহিছে। ভাৰতীয় সমাজ ব্যৱস্থাত মহিলাসকলৰ জীৱ প্ৰক্ৰিয়া স্বাভাৱিক আৰু উন্নত কৰি তোলাৰ বাবে নান ধৰণৰ চৰকাৰী ব্যৱস্থা হাতত লোৱা হৈছে। ৰাষ্ট্ৰীয় স্তৰ ওপৰিও আন্তৰাষ্ট্ৰীয় স্তৰতো মহিলাসকলৰ জীৱন প্ৰক্ৰিয়া বিকাশ আৰু উন্নতিৰ বাবে নানা পদক্ষেপ গ্ৰহণ কৰা হৈছে আমাৰ সাংবিধানত মৌলিক অধিকাৰসমূহৰ অন্তৰ্ভুক্তিত আমাৰ সমাজ জীৱনত নাৰী-পুৰুষৰ মাজত ভিন্নতা নাৰাখি সমঅধিকাৰ উপভোগ কৰাৰ সুবিধা প্ৰদান কৰিছে। ক্ষমতা অধিকাৰ, শোষণৰ বিৰুদ্ধে অধিকাৰ, ধৰ্মীয় স্বাধীনতা অধিকাৰ, সংস্কৃতি আৰু শিক্ষামূলক অধিকাৰ, সংবিধানি প্ৰতিকাৰ অধিকাৰ আদিৰ দৰে মৌলিক অধিকাৰসমূহ ক্ষেত্ৰত নাৰী আৰু পুৰুষৰ মাজত কোনো ধৰণৰ ভেদা ভেদ নাৰাখি সকলোৰে সমান অধিকাৰ প্ৰদান কৰিছে।

স্বাধীনতাৰ পিছত বিভিন্ন প্ৰকাৰৰ কমিটি, কমিচন আদিৰ যোগেদি মহিলাসকল স্থান উচ্চ কৰাৰ বাবে চেষ্ট কৰা হৈছে। মহিলাৰ গুণগত জীৱন, সুবিধাৰ ক্ষেত্ৰত সমতা আৰু সামাজিক ন্যায়ৰ বাবে নিয়োজিত বিভিন্ন কমিটি আৰু কমিচনসমূহ হ'ল —

১) ১৯৫৯ চনত মহিলা শিক্ষাৰ জাতীয় পৰিষদ গঠন কৰা হয়। এই পৰিষদে জৰীপ, গৱেষণা, আলোচনা চক্ৰ আদিৰ যোগেদি মহিলাসকলৰ সবলীকৰণ প্ৰচেষ্টা চলাই আহিছে।

২) ১৯৫৯ চনত গঠন কৰা হয় দুৰ্গাবাই দেশমুখ কমিটি। এই কমিটিখনে বিভিন্ন ধৰণৰ উপদেশ আগবঢ়োৱাৰ লগতে বিভিন্ন কাৰ্যপন্থা হাতত লয়।

৩) ১৯৬২ চনত গঠন কৰা হয় শ্ৰীমতী হংস মেহেতা কমিটি। শ্ৰীমতী হংসমেহেতাৰ নেতৃত্বত মহিলা সকলৰ ক্ষেত্ৰত উপযুক্ত পৰিক্ৰমন প্ৰণয়নৰ ব্যৱস্থা হাতত লোৱা হয়।

৪) ১৯৬৩ চনত ভক্তভৎশালম কমিটি গঠন কৰা হয়। এই কমিটিয়ে মহিলাসকলৰ শিক্ষাৰ ক্ষেত্ৰত সৰ্বসাধাৰণ ৰাইজৰ আগ্ৰহ কম হোৱাৰ সমস্যা সমূহৰ বিষয়ে অধ্যয়ন কৰি পৰামৰ্শ আগবঢ়ায়।

৫) ১৯৬৪-৬৬ চনত চৰকাৰী আয়োগে সামগ্ৰিক বিকাশৰ পৰামৰ্শ আগবঢ়ায়।

৬) ১৯৭০ চনত ভাৰতবৰ্ষত মহিলা শিক্ষাৰ বিকাশৰ বাবে স্ত্ৰী শিক্ষাৰ জাতীয় কমিটি গঠন কৰা হয়।

৭) ১৯৭৪ চনত মহিলা শিক্ষাৰ ৰাষ্ট্ৰীয় কমিটি গঠন কৰা হয়। এই কমিটিয়ে ভাৰতবৰ্ষৰ বিভিন্ন স্থানত অধ্যয়ন আৰু পৰ্যবেক্ষণ কৰি মতামত আগবঢ়ায়।

৮) ১৯৮৬ চনত ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে নাৰীক মৰ্যাদা, সমসুবিধা আৰু সামাজিক ন্যায় প্ৰদানৰ ওপৰত গুৰুত্ব দিয়ে।

৯) ২০০১ চনত মহিলা সবলীকৰণৰ বাবে ৰাষ্ট্ৰীয় নীতি ঘোষণা কৰা হয়। এই শিক্ষা নীতিয়ে বিভিন্ন ব্যৱস্থা হাতত লয়।

১০) ২০০৫ চনত নাৰীক ঘৰুৱা পৰিবেশত পুৰুষৰ উৎপীড়নৰ পৰা মুক্ত কৰিবৰ বাবে 'Protection of Women from Domestic Violence Bill-2005' গৃহীত কৰা হয়। ঠিক তেনেকৈ নাৰীয়ে স্বামীৰ সম্পত্তিৰ লগতে পিতৃ-মাতৃৰ সম্পত্তিৰ অংশ লাভৰ বাবে 'Women Interference Bill' পাছ কৰা হয়।

*** মহিলা সবলীকৰণত শিক্ষাৰ ভূমিকা : *'Role of Education in Women Empowerment'***

শিক্ষাৰ পোহৰ অবিহনে পুৰুষ প্ৰধান সমাজৰ পৰা নাৰী মুক্তি লাভ কৰি উঠাটো সম্ভৱপৰ নহয়। কোৱা হয় যে 'Knowledge is power' অৰ্থাৎ জ্ঞানেই হৈছে শক্তি। জ্ঞানে মানুহৰ অজ্ঞান আন্ধাৰ দেহ-মন পোহৰাই তুলিব পাৰে, মনৰ সকলো ধৰণৰ সংকীৰ্ণতা আৰু ভেদ-ভাৱ গুচাই সমতা, ভাতৃত্ব আৰু মানৱীয়তা অনুভৱ প্ৰদান কৰিব পাৰে। সামাজিক ন্যায়ৰ গণতান্ত্ৰিক আদৰ্শ শিক্ষাৰ যোগেদি পাব পাৰিলেহে পুৰুষ আৰু মহিলাৰ মাজত সু-সামঞ্জস্য ৰূপত সামাজিক বিকাশ সম্ভৱ হৈ উঠিব পাৰে। শিক্ষাই মহিলাসকলক সামাজিক আৰু অৰ্থনৈতিক ভাৱে স্বাৱলম্বী কৰি গঢ়ি তুলিব পাৰে। সামাজিক আৰু অৰ্থনৈতিক স্বাৱলম্বীতাই মহিলাসকলক সবল আৰু শক্তিশালী কৰি তুলিব পাৰে। যাৰ জৰিয়তে মহিলাসকলৰ ওপৰত চলা শোষণ, দমন, অত্যাচাৰ আদিতো বিলুপ্তি সাধনৰ আশা কৰিব পাৰি।

মহিলাসকলক সবলীকৰণৰ বাবে শিক্ষাত বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিব লাগে। অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰি গঢ়ি তোলাৰ বাবে মহিলাসকলক বৃত্তিমূলক শিক্ষাৰ প্ৰশিক্ষণ প্ৰদান কৰিব লাগে। বিভিন্ন ধৰণৰ উৎপাদনমূলক কাম-কাজত অংশগ্ৰহণৰ যোগ্যতাৰ বিকাশ সাধনৰ বাবে উপযুক্ত প্ৰশিক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। মহিলাৰ আত্মবিশ্বাস আৰু আত্মসন্মান বৃদ্ধি কৰিবলৈ বিভিন্ন কাৰ্য পদ্ধতি হাতত ল'ব লাগে। মহিলা সবলীকৰণৰ বাবে গ্ৰহণ কৰা শিক্ষা আঁচনিত শিক্ষা আৰু নিযুক্তি, স্বাস্থ্য আৰু সন্তান জন্মৰ ক্ষেত্ৰত মহিলাৰ মতামতক অগ্ৰাধিকাৰ দিয়া বা নিজস্ব মতামত দাঙি ধৰিব পৰা যোগ্যতা অৰ্জন কৰাৰ সুবিধা প্ৰদান কৰিব লাগে। গতিকে মহিলা সবলীকৰণ এক উৎকৃষ্ট সামাজিক প্ৰচেষ্টা যাৰ বিকাশ সাধনত শিক্ষা ব্যৱস্থাৰ ভূমিকা অপৰিসীম। সবলীকৰণ এনে প্ৰক্ৰিয়া যাৰ দ্বাৰা নিজৰ গুণ, শক্তি, ক্ষমতা অনুসাৰে নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিব পাৰি।

* মন্তব্য ঃ *(Conclusion)*

ভাৰতৰ সংবিধানৰ পৰা আৰম্ভ কৰি আইন প্ৰণয়ন, নীতি, প্ৰৱৰ্তন, আঁচনি অৱলম্বন আদি সকলোতে মহিলাৰ বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰা পৰিলক্ষিত হয় যদিও ইয়াৰ আশানুৰূপ ফল লাভ কৰাত অসমৰ্থ হোৱা দেখা যায়। ইয়াৰ মূলতে হৈছে নিজৰ অধিকাৰ সাব্যস্ত কৰাৰ অধিকাৰ প্ৰাপ্তিৰ অভাৱ। নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ প্ৰয়োজন হয় শিক্ষাৰ, সাহায্য আৰু প্ৰবল ইচ্ছা শক্তিৰ। বৰ্তমান মহিলা সবলীকৰণৰ অৰ্থে আইন, নীতি-নিয়ম, আঁচনি প্ৰকল্প আদি প্ৰৱৰ্তন কৰি দেশে বা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে মহিলাৰ সবলীকৰণত সহায়হে আগবঢ়াব পাৰে কিন্তু প্ৰকৃতাৰ্থত সবল হ'বৰ বাবে মহিলাসকল নিজেই জাগ্ৰত হ'ব লাগিব। তেতিয়াহে তেওঁলোক সামাজিকভাৱে সবল, আৰ্থিকভাৱে স্বাৱলম্বী, আইনসন্মতভাৱে সবলীকৰণ আৰু ৰাজনৈতিক ভাৱে সচেতন লগতে সংস্কৃতিকভাৱে যোগ্য তথা সুস্থ গণতান্ত্ৰিক নাগৰিকত্ব আয়ত্ব যোগ্য তথা সুস্থ গণতান্ত্ৰিক নাগৰিকত্ব আয়ত্ব কৰিবলৈ সক্ষম হ'ব পাৰিব বুলি আশা কৰিব পাৰি। ■

অতীতকৈ বৰ্তমানে তেওঁ অধিক জ্ঞানী হোৱাটোকেই সূচায়।

— আলেকজেণ্ডাৰ পোপ

✧ ★ ✧

মানুহে ভুল স্বীকাৰ কৰিবলৈ লাজ পোৱা উচিত নহয়। এই কামে মানুহক ভুল বা দোষ স্বীকাৰ, ঠিক বাঢ়নীৰে মলি সাৰি নিয়াৰ নিচিনা আৰু আগতকৈ বেছি পৰিস্কাৰকৈ সৰা ঠাই ডোখৰৰ দৰেহে হয়।

— মহাত্মা গান্ধী



# উদ্বিগ্নতা, শিশু আৰু আমি

কবিতা মেধি
মুৰব্বী অধ্যাপক, শিক্ষা বিভাগ

জীৱন সুন্দৰ, অনুপম আৰু সত্য। সকলোৰে বাবে এটা মুক্ত জীৱন কাম্য। কুৰি শতিকাৰ চিকিৎসা বিজ্ঞানে মানুহৰ দৈহিক স্বাস্থ্য ৰক্ষা কৰাৰ দিশত অভূতপূৰ্ব সফলতা লাভ কৰি উঠে। মহামাৰী আৰু সংক্ৰামক স্বৰূপে দেখা দিয়া বহুতো ৰোগ নিয়ন্ত্ৰণ তথা নিচিহ্ন কৰিবলৈ সক্ষম হৈছে। আনহাতেদি মানসিক আৰু মনৰ ৰোগে বৰ্তমান অধিক ভয়াবহ ৰূপ ধাৰণ কৰি মানৱতাৰ বাবে এক প্ৰত্যাহ্বান স্বৰূপ হৈ উঠাটো আমাৰ বাবে চিন্তাৰ বিষয় হৈ পৰিছে। তেনে এক মানসিক ৰোগ হৈছে উদ্বিগ্নতা। এই উদ্বিগ্নতাৰ অভিজ্ঞতা আমি জীৱনৰ পদে পদে অনুভৱ কৰো। পৰীক্ষাৰ ফলাফল, সাক্ষাৎকাৰ, বিপদ, দুৰ্ঘটনা, সন্ত্ৰাস আদিয়ে আমাক ব্ৰিত কৰি তোলে আমি উদ্বিগ্ন হৈ পৰো। সাধাৰণতে আমি নিজস্ব গুণেৰে উদ্বিগ্নতাৰ লগত সমাযোজন কৰি লওঁ। কিন্তু সকলো সময়ত আমাৰ উদ্বিগ্নতাৰ সঠিক সমাযোজন নহয়, তেতিয়া ইয়ে আমাক অসুস্থতাৰ তথা বিসংগতিৰ ফালে ঢাল খুৱায়।

বৰ্তমান সময়ত আমাৰ সামাজিক জীৱনত হোৱা পৰিবৰ্তনৰ দ্ৰুততাই ব্যক্তিগত জীৱনৰ কেতবোৰ জটিলতাৰ সৃষ্টি কৰিছে। পূৰ্বৰ সহজ-সৰল মানৱ জীৱনৰ জৈৱিক প্ৰয়োজন প্ৰকৃতিৰ পৰাই সহজে আৰু অবাধে পূৰণ হৈ উঠিছিল। ইয়াৰ ফলত মনৰ দুখ-চিন্তা, অভাৱ-অভিযোগ, হতাশা, নিৰাশা, ব্যৰ্থতা, উদ্বিগ্নতা আদিৰ পৰা বহু পৰিমাণে মুক্ত হৈ আছিল। দৈনন্দিন জীৱনৰ প্ৰয়োজন পূৰণৰ বাবে কায়িক শ্ৰমত ব্যস্ত থাকিবলগীয়া হোৱা বাবে তেনেবোৰ মানসিক চিন্তা আৰু উদ্বিগ্নতাৰ বাবে সময় আৰু অৱকাশেই নাছিল। কিন্তু বৰ্তমান এই অৱস্থাৰ দৰ্শনীয় পৰিবৰ্তন হৈছে। আমাৰ সামাজিক জীৱনত হোৱা দ্ৰুত পৰিবৰ্তনে আমাৰ জীৱনত কেতবোৰ নতুন নতুন আৰু ক্ৰমবৰ্ধিত জটিল প্ৰয়োজনৰ সৃষ্টি কৰিছে। সমাজৰ প্ৰচলিত নীতি-নিয়মবোৰেও পূৰ্বৰ সহজ-সৰল প্ৰাকৃতিক স্বাধীনতা খৰ্ব কৰি তুলিছে। প্ৰশাসন যন্ত্ৰই নিজৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক ৰক্ষা কৱচস্বৰূপে কঠোৰৰ পৰা কঠোৰতৰ আইন প্ৰণয়নৰ ব্যৱস্থা গ্ৰহণ কৰিছে। আয়কৰ, সম্পত্তি কৰ আৰু আমোদ কৰৰ পৰা আৰম্ভ কৰি বৰ্তমান প্ৰশাসন যন্ত্ৰই আমাৰ ওপৰত জাপি দিয়া বিবিধ কলা আইনে মানুহৰ মুক্ত জীৱনত উদ্বিগ্নতাৰ বীজ সিঁচি দিছে।

অত্যাধিক উদ্বিগ্নতাই মানুহৰ কামত বাধাৰ সৃষ্টি কৰে। উদ্বিগ্নতাত ভুগি থকা মানুহ এজনে কোনো কামতে সম্পূৰ্ণ শক্তি প্ৰয়োগ কৰিব নোৱাৰে। অৱশ্যে উদ্বিগ্নতা অবিহনে জীৱন মূল্যহীন। উদ্বিগ্নতাই আমাক সক্ৰিয় হৈ ৰবলৈ অভিৰোচিত কৰে। জীৱনত উদ্বিগ্নতা অবিহনে মানুহে বিশেষ অগ্ৰগতি লাভ কৰিব নোৱাৰে। বহুতে ক'ব খোজে উদ্বিগ্নতাই শিক্ষণত বাধাৰ সৃষ্টি কৰে। আন কিছুমানে আকৌ ক'ব খোজে উদ্বিগ্নতাই শিক্ষণত সহায় কৰে According to Bugelski "Attention is a primary factor in learning. Attention may result because of desire for reward, desire to escape or punishment, curiosity etc. but basic to attention is anxiety. So the task of the teacher is of creating the necessary degree of anxiety." অৱশ্যে ছাত্ৰ-ছাত্ৰীৰ উদ্বিগ্নতা কিমান সৃষ্টি কৰিব লাগে তাৰ প্ৰতিও নজৰ ৰখা প্ৰয়োজন। শিশুৰ মাজত উদ্বিগ্নতা সৃষ্টি কৰিবলৈ প্ৰথমে কৌতুহলৰ সৃষ্টি কৰিব লাগিব আৰু কৌতূহলৰ পৰাই শিক্ষণীয় বিষয় বস্তু জানিবলৈ তেওঁলোক উদ্বিগ্ন হৈ পৰিব।

সামাজিক পৰিবেশত আমি প্ৰায়ে দেখা পাওঁ যে প্ৰত্যেক ব্যক্তিয়ে উদ্বিগ্নতাৰ পৰা আঁতৰি থাকিব বিচাৰে।

প্ৰত্যেক ল'ৰা-ছোৱালীয়ে নিজৰ অভ্যাস সলনি কৰি লয় যাতে তেওঁলোকৰ মাক-দেউতাকে সিহঁতক বেয়া নাপায়। সেয়ে তেওঁলোকৰ মাক-দেউতাকক সন্তুষ্ট কৰিবলৈ উদ্বিগ্ন হৈ পৰে আৰু পঢ়া-শুনাত অধিক মনোযোগ দিয়ে যাতে পৰীক্ষা ভাল হয়। বৰ্তমান আমি প্ৰায়ে দেখিবলৈ পাওঁ যে অভিভাৱকসকল তেওঁলোকৰ ল'ৰা-ছোৱালীৰ পঢ়া-শুনাৰ প্ৰতি বিশেষকৈ ফলাফলক লৈ উদ্বিগ্ন হৈ পৰে। তাৰ প্ৰভাৱ ল'ৰা-ছোৱালীৰ ওপৰত পৰে। ল'ৰা-ছোৱালী অধিক উদ্বিগ্নতাৰে পৰীক্ষাত বহে যাৰ ফলত সাধাৰণ প্ৰশ্ন কিছুমানেই পাহৰি যায়, নহ'লে প্ৰশ্নবোৰেই বুজিবলৈ অসমৰ্থ হৈ পৰে।

উদ্বিগ্নতাৰ অভিজ্ঞতা আজিকালি আমাৰ জীৱনৰ লগৰী হৈ পৰিছে। ৰাতিপুৱাই অফিচলৈ ওলাই গৈ সময়মতে ঘৰলৈ আহিব নোৱাৰি উদ্বিগ্ন হৈ পৰা। ঘৰৰ আপোনজন ক'ৰবালৈ ওলাই গৈছে পুনৰ ঘূৰি নহালৈ উদ্বিগ্ন, ল'ৰা-ছোৱালী স্কুলত পঢ়ি আছে ফলাফলক লৈ উদ্বিগ্ন, সময়মতে দৰমহা নোহোৱা উদ্বিগ্ন, শৰীৰত সদায় দেখা দিয়া বেমাৰ-আজাৰক লৈ উদ্বিগ্ন, গাড়ীখন লৈ ওলাই গৈছো ৰাস্তাৰ যানজঁটক লৈ উদ্বিগ্ন, উদ্বিগ্নতা যেন সমাজ আৰু ব্যক্তিৰ এক চিৰযুগমীয়া বন্ধন।

সকলো কথাৰে দুটা দিশ থাকে। নেতিবাচক আৰু ইতিবাচক। নেতিবাচক দৃষ্টিৰে চাবলৈ হ'লে উদ্বিগ্নতাই আমাৰ মানসিক চাপ বঢ়াই আৰু জীৱনৰ প্ৰতি পদক্ষেপতে বিফলতাই দেখা দিয়ে। আনহাতে ইতিবাচক দৃষ্টিৰে যদি চোৱা যায় উদ্বিগ্নতাই আমাৰ মনোভাব, আমাক আমাৰ আচৰণ, মানসিক শক্তিৰ ন ন চিন্তাৰে, সৃষ্টিশীলতাৰে, যুক্তিৰে চাবলৈ শিকায়।

শিশুসকলক লৈ অভিভাৱক অত্যাধিক উদ্বিগ্ন হোৱা পৰিলক্ষিত হয়। বৰ্তমানৰ প্ৰতিযোগিতাৰ দৌৰত দৌৰিব পৰাকৈ আমি সকলোৱেই নিজৰ সন্তানক সক্ষম ৰূপত দেখিব বিচাৰো। সিহঁতৰ সেই ক্ষমতা বহন কৰিব পৰাকৈ সামৰ্থ কিমান আছে, সেই বিষয়ে নভবাকৈ আমি সিহঁতক নাচ-গান, ড্ৰয়িং, খেল আদিবোৰত নাম লগাই দিওঁ। যান্ত্ৰিক জীৱনত সিহঁতো একোটা যন্ত্ৰ যেন হৈ পৰে। ডাঙৰ হৈ অহাৰ লগে লগে সিহঁত মানসিক চাপেৰে ভাৱাক্ৰান্ত হৈ পৰে। সিহঁতবোৰে শৈশৱতে এখন মুকলি আকাশৰ সোৱাদৰ পৰা বঞ্চিত হয়। অভিভাৱক আকাংক্ষাক শিশুৰ ওপৰত জাপি দি অভিভাৱক তথা শিশু দুয়োপক্ষ উদ্বিগ্নতাত ভোগে।

শিক্ষাইহে এখন সুস্থ সমাজ আৰু উন্নত ৰাষ্ট্ৰ গঠন কৰিব পাৰে। শিশুসকল হৈছে এখন দেশৰ জমাপুঞ্জী। আজিৰ শিশুৱেই কাইলৈ দেশৰ নাগৰিক। সেয়েহে শিশুসকলক সঠিক পথেৰে আগুৱাই নিয়াটো প্ৰতিজন অভিভাৱকৰ প্ৰধান দায়িত্ব।

ঘৰখনেই শিশু শিক্ষাৰ কঠিয়াতলি। মাক-দেউতাক আৰু পৰিয়ালৰ অন্যান্য সদস্যসকলৰ পৰা এটি শিশুৱে জীৱনৰ আদি পাঠ পায়। খোৱা-বোৱা ঘৰখনৰ পৰাই আয়ত্ব কৰে। সেয়ে ঘৰখনৰ প্ৰতিজন সদস্যই শিশুটোৰ প্ৰতি সচেতন হ'ব লাগে। কিন্তু অত্যাধিক উদ্বিগ্নতাত ভুগি নালাগে। শিশুটোক লৈ অভিভাৱকসকল সন্তানৰ শৈক্ষিক অগ্ৰগতিৰ প্ৰতি সচেতন হ'ব। যিসকল পিতৃ-মাতৃৰ বাবে সেয়া সম্ভৱ নহয়, তেখেতসকলে পাৰিলে কোনো সমৰ্থবান লোকৰ হতুৱাই নিজৰ ল'ৰা-ছোৱালীৰ পঢ়া-শুনাৰ চকু ৰাখিব লাগে। শিশুৰ দৈহিক, মানসিক, আবেগিক, সামাজিক আদি সকলো দিশৰ বিকাশত পৰিয়ালৰ প্ৰভাৱেই আটাইতকৈ বেছি। বৰ্তমান যুগত যৌথ পৰিয়ালৰ ধাৰণা নাই কিয়া হৈ যোৱা বুলিয়েই কব পাৰি। একক পৰিয়ালবোৰো সংকটৰ গৰাহত। পতি-পত্নী, পুত্ৰ-কন্যা প্ৰত্যেকেই নিজৰ কৰ্মজীৱনত ইমানেই ব্যস্ত যে সুখ-দুখৰ সমভাগী হ'বলৈ, সমস্যাৰ বিষয়ে জানিবলৈ কাৰো আহৰিয়েই নাই। কিছুমান ব্যস্ততাপূৰ্ণ পৰিয়ালত পুৱা সন্তান টোপনিৰ পৰা উঠাৰ আগতেই দেউতাক বা মাক কৰ্মক্ষেত্ৰলৈ ওলাই যায়, ঘৰৰ বনকৰা ছোৱালীজনীৰ ওপৰতে সন্তানৰ দায়িত্ব সপি দিয়ে। আনহাতে ল'ৰা-ছোৱালীও পঢ়া-শুনাত ইমান ব্যস্ত যে পাৰিবাৰিক সম্বন্ধ, পৰিৱেশ আদি মুকলিমুৰীয়াকৈ সিহঁতে উপভোগ কৰিবই নোৱাৰে। ফলত সম্বন্ধৰ গাঁথনিটো জটিল আৰু অবুজ সাঁথৰৰ দৰে হৈ পৰে। বৰ্তমান কৰ্মব্যস্ততা ইমানে বাঢ়ি গৈছে যে আনৰ কথালৈ মনোযোগ দিয়াৰ অৱকাশ নাথাকে। সেয়েহে পৰিয়ালৰ প্ৰতিজন সদস্যই দিনৰ সকলো কামৰ অন্তত সকলো চিন্তা, চাপ, উত্তেজনা পৰিহাৰ কৰি ঘৰৰ প্ৰতিজন সদস্যই কিছুসময় একেলগে কটোৱাটো দৰকাৰ। মুকলি মুৰীয়াকৈ ইজনে সিজনৰ সুখ-দুখৰ সকলোবোৰ কথাৰ সমভাগী হ'লে কাৰো মনত কোনো ধৰণৰ উদ্বিগ্নতাৰ নেতিবাচক ফলে দেখা নিদিয়ে।

বহুতো পিতৃ-মাতৃয়ে নিজে পূৰ কৰিব নোৱাৰা উচ্চ আকাংক্ষাখিনি সন্তানৰ জৰিয়তে পূৰ কৰিবলৈ বিচাৰে। প্ৰতি পিতৃ-মাতৃয়ে বিচাৰে নিজ সন্তান আন সকলোতকৈ আগত হওঁক। কিন্তু সকলো যদি নম্বৰ বান হয় টু, থ্ৰি কোন হ'ব? আজিৰ পিতৃ-মাতৃয়ে নিজ নিজ সন্তানক "জেক অব্ অল ট্ৰেডছ" কৰিবলৈ গৈ "Master of None" হে কৰিছে। স্কুলবেগৰ ভৰত কোঙা হোৱা সন্তানৰ ওপৰত ভুতৰ ওপৰত দানহ জপাদি পিতৃ-মাতৃয়ে জাপি দিছে খেল-ধেমালি, গান-বাজনা, আৰ্ট, টিউচন, চুইমিঙৰ অসহনীয় বোজা। এই বোজাত নিজৰ সন্তানৰ সন্তুলন ঠিক ৰাখিব পাৰিছেনে নাই তাৰ প্ৰতি ভ্ৰুক্ষেপ নকৰি পৰিণামক লৈ উদ্বিগ্ন হৈ পৰে। পিতৃ-মাতৃৰ মতে উপযুক্ত স্কুলত শিক্ষা গ্ৰহণ কৰিবলৈ দিছে, নামী-দামী টিউচন দিছে যেতিয়া সন্তান টপাৰ হ'বই লাগিব। শিশুটিৰ সহজাত অসাৰধনতাৰ বাবে নাইবা দুই এক সৰু-সুৰা ভুলৰ বাবে সন্তানটিয়ে ৰেংক নাপালে বুলিয়েই জানো তাৰ ভৱিষ্যত অন্ধকাৰ বুলি ক'ব পাৰি? এনেবোৰ কথাৰে সন্তানৰ মনৰ জগতখনত ভুমুকি মৰা পিতৃ-মাতৃৰ আজি অভাৱ হৈছে। ল'ৰা-ছোৱালীবো আত্মসন্মানবোধ যে আছে সেই কথা আমি মনত ৰখা উচিত। শিশুৰ বাবে আটাইতকৈ নিৰাপদ স্থান হৈছে মাক-দেউতাকৰ সান্নিধ্য। যাৰ উমাল পৰশত ধীৰে ধীৰে বিকাশিত হয় শিশুৰ মন তথা বৰ্হিজগত। সেয়ে শিশুক লৈ উদ্বিগ্ন হোৱাৰ পৰিৱৰ্তে সিহঁতৰ মনোজগতৰ বিষয় অধ্যয়ন কৰিবলৈ চেষ্টা কৰিব লাগে। আজিৰ Carrier, Business আদিৰ সচেতনতাত পিতৃ-মাতৃৰ সন্তানৰ বাবে সময় কমি গৈছে। সেয়ে হয়তো আমাৰ শিশুসকলে উপযুক্ত মানসিক সমৰ্থনৰ অভাৱত বিপথে পৰিচালিত হৈছে।

উদ্বিগ্নতাই আমাক অভিবোচিত কৰে। দৈনন্দিন কথাত যদি অত্যাধিক দুশ্চিন্তা, অনৰ্থক চিন্তা, অলাগতিয়াল ভাৱক অধিক প্ৰাধান্য দিয়া হয়, তেতিয়াহ'লে নিশ্চয়কৈ উদ্বিগ্নতা বৃদ্ধি পাব, যাৰ প্ৰভাৱ আমাৰ শাৰীৰিক আৰু মানসিক দিশত ক্ষতিকাৰক। আমাৰ এই ক্ষন্তেকীয়া জীৱন সহজ কৰিবলৈ হ'লে উদ্বিগ্নতাক নিয়ন্ত্ৰিত কৰিব লাগিব। অধিক উদ্বিগ্ন জীৱনটো সহজভাৱে ল'বলৈ শিকিব লাগে। সু-স্বাস্থ্য আৰু ভাল জীৱন সকলোৰে কাম্য। তাৰ বাবে প্ৰতিগৰাকী সচেতন ব্যক্তিয়ে নিজৰ উদ্বিগ্নতাক নিয়ন্ত্ৰণ কৰাটো দায়িত্ব। ■

ৰাতি যিমানেই কঠিন হ'ব, প্ৰভাত সিমানেই উজ্জ্বল হ'ব। চাৰিওফালৰ পৰা আন্ধাৰে আৱৰি ধৰিলেও ভয় নকৰিবা প্ৰভাত হ'বই।

— জ্যোতিপ্ৰসাদ আগৰৱালা

✧ ★ ✧

মুৰ্খ আৰু অজ্ঞানীয়ে সত্য কি তাক বুজি নাপায়।

— বুদ্ধদেৱ

# চিন্তাশিল্প

শ্ৰীচন্দ্ৰকান্ত বৰা
গ্ৰন্থাগাৰিক

সৃষ্টি মানেই নতুন। কিন্তু সৃষ্টিৰ মহত্ব নাথাকিলে সি দুদিনতে পুৰণা হয়। নতুন পুৰুষে পৃথিৱীখনক ন-ৰূপত দেখে, কথাবোৰ নতুনকৈ চিন্তা কৰে। গতিকে পুৰণি সকলোবোৰ ধাৰণা আয়ত্ব কৰিলেহে জানিব পৰা যায় যে কোনখিনিৰ পৰা আৰম্ভ কৰিলে নতুন সৃষ্টি হয়।

মানুহে বহুকেইটা স্তৰ অতিক্ৰম কৰাৰ পাছতহে ভাষাৰ জন্ম হৈছে আৰু এই ভাষাই হৈছে মানৱ সভ্যতা আৰু সংস্কৃতিৰ উন্নতিৰ জখলা। মানৱ সভ্যতাক যুগে যুগে উজ্জ্বলাই থকা সম্পদ বিধেই হ'ল গ্ৰন্থ সৃষ্টি। গ্ৰন্থক বাদ দি এটা জাতি, এখন সমাজ সভ্যতাৰ অস্তিত্বৰ কথা কল্পনা কৰিব পৰা নাযায়। আদিতে মানুহৰ মনৰ ভাৱ মুখে মুখে চলি থাকি মৌখিক সাহিত্যৰূপে জনাজাত হৈছিল আৰু তাৰ পাছৰ পৰ্যায়ত মানুহৰ মনৰ ভাৱ ক্ৰমে শিলত খোদিত কৰি, সাঁচিপাত, তামৰ ফলিত, গছৰ পাতত লিখি থৈছিল। ১৫শ শতিকাত ছপাশাল আৱিষ্কাৰ হৈ ছপাগ্ৰন্থৰ জন্ম হ'ল।

বাল্মিকী মুনিয়ে ৰাতিপুৱা নদীত গা ধুবলৈ গৈ থাকোঁতে এটা ব্যাধৰ হাতত শৰবিদ্ধ হৈ পৰা এহাল মৈথুনৰত ক্ৰৌঞ্চ চৰাইৰ হৃদয় বিদাৰক দৃশ্য প্ৰত্যক্ষ কৰি তেওঁৰ মনৰ পৰা শোকত যি বাক্য ওলাই আহিল সেই বাক্য শাৰী শুনি ব্ৰহ্মাই ৰামায়ণ লিখিবলৈ অনুৰোধ কৰাত ৰামায়ণ মহাকাব্যখনৰ সৃষ্টি হৈছিল। গ্ৰন্থ হ'ল এটা ভাষাৰ পৰিচয়, এটা জাতিৰ গৌৰৱ। চাৰিবেদ, মহাভাৰত, ৰামায়ণ, পুৰাণ আদি গ্ৰন্থসমূহ ভাৰতীয় জাতিৰ গৌৰৱ আৰু ভাগৱত, কীৰ্তন, নামঘোষা, মৃত্যুঞ্জয়, মহাৰথী, পাতাল ভৈৰবী, ইয়াৰু ইংগম, মাকাম আদি গ্ৰন্থসমূহ অসমীয়া সাহিত্যৰ গৌৰৱ। অসমীয়া ভাষাৰ বহুতো গ্ৰন্থ বিভিন্ন ভাষালৈ অনুবাদ হৈছে। এই ভাষাতেই গীত গাই ড° ভূপেন হাজৰিকাই জগত জিনিলে, এই ভাষাৰেই বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, মামনি ৰয়ছম গোস্বামীয়ে জ্ঞানপীঠ বঁটা অৰ্জিলে। এই ভাষাৰ বোলছবিত অভিনয় কৰি ইন্দ্ৰ বণিয়া, বিষ্ণু খাৰঘৰীয়া, মলয়া গোস্বামীয়ে বিশ্ববাসীক শ্ৰেষ্ঠ অভিনেতা বুলি চিনাকি দিলে। অসমীয়াৰ সত্ৰীয়া নৃত্য পৰিৱেশন কৰি ইন্দিৰা পি.পি.বৰা আৰু মেনকা পি. পি. বৰাই বিশ্বক মুহিত কৰিলে। গুৰুজনাৰ প্ৰাৰ্থনা কথাছবিত সংযোজন কৰি কণ্ঠশিল্পী তৰালী শৰ্মাই ৰাষ্ট্ৰীয় পুৰস্কাৰ অৰ্জন কৰিলে। অসমীয়াৰ গায়ন-বায়ন শৈলী, বিহুক বিশ্বই আদৰি লৈছে। অসমীয়া পণ্ডিত কৃষ্ণকান্ত সন্দিকৈক বিশ্বৰ কোনে নাজানে? লিখি শেষ কৰিব নোৱাৰা এনে বহু অসমীয়া ওলাব যাৰ সৃষ্টিৰাজিৰে বিশ্ব দৰবাৰত অসমীয়া ভাষা-সংস্কৃতিৰ অস্তিত্ব অটুত ৰাখিছে।

ঘৰ বাঁহৰ গুচি শিল ইটাৰ হ'ব, গাঁৱে গাঁৱে হাজাৰ হাজাৰ পঢ়াশালি, জ্ঞানৰ সভা, চিকিৎসালয় হ'ব, দুখীয়াৰ পৰিত্ৰাণৰ আলয় হ'ব ইত্যাদি। এলান্ধুকলীয়া জীৱন যাত্ৰাৰ অৱসান ঘটাই, এখন সমৃদ্ধিশালী অসমৰ সপোন দেখিছিল ঢেকিয়াল ফুকনে। তেনেদৰে ৰূপকোঁৱৰৰ হিয়াত উথলি উঠিছিল 'অসমীয়া ভাষা মোৰ বৰ মৰমৰ, জ্বলন্ত সাধনা মোৰ বহুত জনমৰ'। শংকৰ গুৰুজনে গঢ়ি থৈ যোৱা আধুনিক অসমীয়া জাতিৰ অসমীয়া ভাষাটো আজি সময়ৰ কোবাল সোঁতৰ চাকনৈয়াত পৰি ককবকাব লগা কথাষাৰ সকলোৱে প্ৰত্যক্ষ কৰিছে। ৮০ৰ দশক মানৰ পৰা শিক্ষা-সাহিত্য সংস্কৃতি দ্ৰুত পৰিবৰ্তনৰ কথা বিজ্ঞসকলে প্ৰত্যক্ষ কৰিছে। পৰিবৰ্তনৰ বা-মাৰলিত সিংহ ভাগ অসমীয়াই ইংৰাজী মাধ্যমৰ ফালে ঢাপলিয়াই সন্তানক 'মানুহ' কৰাৰ অঘোষিত প্ৰতিযোগিতাত জপিয়াই পৰিছে। কাঠফুলাৰ দৰে ব্যৱসায়িক ভাৱে ইংৰাজী মাধ্যমৰ বিদ্যালয় গঢ়ি তোলাটোৱেই ইয়াৰ প্ৰমাণ। ইংৰাজী মাধ্যমৰ ছাত্ৰ-ছাত্ৰীসকলৰ মানসিকতা, জ্ঞান গভীৰতা, অসমীয়া মাধ্যমৰ ছাত্ৰ-ছাত্ৰীতকৈ বেছি আশাব্যঞ্জক ছবি এখন আমাৰ প্ৰত্যক্ষ



হোৱা নাই। ব্যৱহাৰিক দিশত ইংৰাজী ভাষাৰ প্ৰয়োজনীয়তা আমি মুঠেই নুই কৰিব নোৱাৰো সঁচা, কিন্তু অসমীয়াই ইংৰাজীত সপোন দেখিব নোৱাৰে। প্ৰযুক্তি বিদ্যাৰ দ্ৰুত অগ্ৰগতিত খোজ মিলাবলৈ ইংৰাজী ভাষাৰ প্ৰয়োজনীয়তা নথকা নহয়। কিন্তু মাতৃভাষাক হেয় জ্ঞান কৰাটো সহজে ল'ব পৰা নাযায়। ঘৰুৱা সাধাৰণ বাৰ্ত্তালাপত মাতৃভাষা ব্যৱহাৰ কৰাৰ অসুবিধা কোনখিনিত? বাৰ্ত্তালাপ, ভাষণ, লেখা আদিৰ মাজত টনা-আজোৰা কৰি হ'লেও আমি ইংৰাজী শব্দ একোটা ব্যৱহাৰ কৰিহে ধন্য হওঁ। অসমীয়া শব্দ একোটা থলুৱা বা এলাগী বুলি উচ্চাৰণ কৰিবলৈ আমি লজ্জাবোধ কৰো। আকৌ ধানতকৈ পতানৰ সংখ্যা বেছিৰ দৰে বৰ্তমান অসমীয়া গল্পকাৰ, প্ৰবন্ধকাৰ, কবিসকলৰ লেখাৰ মাজতো গভীৰতা ৰক্ষাৰ হেতু ইংৰাজী শব্দৰ মাত্ৰাধিক ব্যৱহাৰ পৰিলক্ষিত হয়। অসমীয়া গীতটো ইংৰাজী শব্দ সোমাল। আমি কথাৰ ফাঁকে ফাঁকে ইংৰাজী শব্দ একোটা ব্যৱহাৰ কৰিহে গৌৰৱ অনুভৱ কৰো 'চ'ৰি অসমীয়া শব্দটো ঠিক মনলৈ অহা নাই' জাতীয় বাক্যবোৰ আজিৰ অসমীয়াৰ আটাইতকৈ গৌৰৱবোধৰ বাক্য। আজি কোনজন সচেতন অসমীয়াই নিজৰ সন্তানক 'গুড মৰ্নিং'ৰ পৰিবৰ্তে 'সুপ্ৰভাত', 'গুড নাইট'ৰ পৰিবৰ্তে 'শুভৰাত্ৰি' বুলি ক'বলৈ শিকাইছে। কোনজন অসমীয়াই আজি 'অম্লেট'টোক 'কণি পিঠা' বুলি কয়? 'ব্লেংকেট'খনক কোনোবা অসমীয়াই আজি 'নিহালী' বুলি কয়নে? গোটা বা জুলীয়া ওজনৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা 'সেৰ' শব্দটো ব্যৱহাৰ কৰা অসমীয়া বৃদ্ধইও আধুনিক শিক্ষিত অসমীয়া পুত্ৰৰ মৃদু অত্যাচাৰৰ সৌজন্যতাৰ খাতিৰত কিলোগ্ৰাম, লিটাৰ বুলি ক'বলৈ বাধ্য হৈছে। পোষ্টমাষ্টৰ, হেণ্ডিমেন, বাল্ব, বিস্কুট, ৰকেট, পেনচিল, ব্ৰেক বৰ্ড আদি অনেক শব্দ আমি কোনোদিন কোনো অসমীয়াই ইংৰাজী বুলি নভবাকৈয়ে ব্যৱহাৰ কৰি আছো। আনকি কোনো অসমীয়া গল্পকাৰ, প্ৰবন্ধকাৰ, সাহিত্যিকৰ সৃষ্টিৰ মাজত এই শব্দবোৰৰ ৰূপান্তৰ দেখা পোৱা নাযায়। আকৌ অসমীয়া, বাতৰি কাকতৰ বহুতো শিৰোনাম আৰু অসমীয়া দূৰদৰ্শনৰ ঘোষক-ঘোষিকাসকলৰ মুখত ইংৰাজী শব্দৰ মাত্ৰাধিক ব্যৱহাৰ দেখা যায়। সাধাৰণ কথা-বাৰ্তাত সিংহভাগ ইংৰাজী শব্দ ব্যৱহাৰ কৰি গৌৰৱবোধ কৰা অসমীয়া ভাষাৰ মাজত এনে কিছুমান ইংৰাজী শব্দ সোমালহি যিবোৰক আমি অসমীয়া শব্দ বুলিয়েই মানি লৈছো বা সেই শব্দবোৰৰ অসমীয়া প্ৰতিশব্দ নিবিচাৰি নিজা বুলি সাৱটি লৈছো। ইয়াৰ লগে লগে আমি পাশ্চাত্য সংস্কৃতিকো অতি চেনেহেৰে স্বাগতম জনায় আকোঁৱালি লোৱাৰ ফলত আমাৰ নিজা সংস্কৃতি বিকৃত হৈছে। ঐতিহ্যমণ্ডিত আমাৰ ভাষাত আজিও পৰ্যাপ্ত পৰিমাণে জাতীয় চিন্তাধাৰাৰ ওপৰত ৰচিত সাহিত্যৰ অভাৱ অনুভৱ কৰাৰ সন্ধিক্ষণত এই চিন্তাধাৰা ক্ৰমান্বয়ে হ্ৰাস পোৱা পৰিলক্ষিত হোৱাটো অসমীয়াৰ বাবে দুৰ্ভাগ্যজনক। বৰ্তমান তথ্য-প্ৰযুক্তিৰ বজাৰত টিকি থাকিবলৈ হ'লে আমাৰ ভাষাটোৰ ভাল কিতাপ লাগিব। 'কম্পিউটাৰ' (পৰিকলন যন্ত্ৰ) উপহাৰ দিয়াৰ সমান্তৰাল ভাৱে একোখন গ্ৰহণযোগ্য অসমীয়া কিতাপ উপহাৰ দিয়াৰ পৰম্পৰা গঢ়িব লাগিব। ভাল কিতাপ এখন আমাৰ পৰিচয়, সাহিত্য ৰুচিৰ পৰিচয় আৰু ভাষাটো জীয়াই ৰখাৰ মাধ্যম। আমাৰ সাহিত্য সংগঠনসমূহেও এই কথা খামোচ মাৰি ধৰিবৰ হ'ল। সাহিত্য সৃষ্টিৰ বাবে সভা নালাগে বা সভাই কাকো সাহিত্যিক হিচাপে গঢ়িব নোৱাৰে। লেখক এজনে যিয়েই ৰচনা নকৰক, যেনেকৈ ৰচনা নকৰক সি বিজ্ঞানসন্মত, সত্যনিষ্ঠ, পাঠক সমাজৰ মন স্পৰ্শ কৰিলেই জনপ্ৰিয় হয়। জনপ্ৰিয় হবলৈ বিশিষ্ট সাহিত্য হ'ব লাগিব বুলি কথা থাকিব নোৱাৰে। কিয়নো বিশিষ্ট সাহিত্য দীৰ্ঘকালৰ ফলাফলহে, গতিকে আমাৰ ভাষাত গ্ৰহণযোগ্য সাহিত্য সৃষ্টি হ'বলৈ ভাষাটো থাকিবই লাগিব। ভাষাৰ অপব্যৱহাৰ আৰু ভাষাৰ বিকৃতি এটা ভাষাৰ মৃত্যুৰ কাৰণ হ'ব পাৰে। তথ্য প্ৰযুক্তিৰ যুগত ভাষালৈ কিছুমান উপৰুৱা উপাদান আহিয়েই থাকিব। কিন্তু তাৰ কৰাল গ্ৰাসত পৰি যাতে ভাষা-সংস্কৃতি লোপ নাপায়। তাৰবাবে সতৰ্ক হ'ব লাগিব। বিদেশী ভাষাৰ লগত, সংস্কৃতিৰ লগত নিজকে বিলাই দিলে এদিন অসমীয়া ভাষাটোহে থাকিব - হয়তু নাথাকিবও পাৰে। ড০ ভূপেন হাজৰিকাই কোৱাৰ দৰে - 'আজিৰ অসমীয়াই নিজক নিচিনিলে অসম ৰসাতলে যাব। .... ৰাজহাড় নাই বুলি বিশ্বই বৰকৈ হাঁহিব।' ■

# মায়ং আৰু মায়ং আঞ্চলিক মহাবিদ্যালয়

ৰবিন কুমাৰ কলি
মুৰব্বী অধ্যাপক, অৰ্থনীতি বিভা

মায়ং নামৰ ভূখণ্ড মৰিগাঁও জিলাৰ পশ্চিম প্ৰান্তত অৱস্থিত। ইয়াৰ দক্ষিণ পশ্চিম দিশত কামৰূপ (মহানগৰ) জিলা আৰু উত্তৰ দিশেৰে ব্ৰহ্মপুত্ৰ নদী হৈ গৈছে। অতীজৰে পৰা এই ভূখণ্ড শিক্ষা-দীক্ষা, যাতায়ত-পৰিবহন তথা আৰ্থিক দিশত তেনেই পিছপৰা আছিল। শিক্ষাৰ নামত মায়ং উচ্চ মাধ্যমিক বিদ্যালয় বৰ্তমানত উন্নীত হৈ মায়ং উচ্চতৰ মাধ্যমিক বিদ্যালয় (ক'লা) খনে প্ৰধান আছিল। যাতায়ত পৰিবহনৰ নামত কেঁচা আলিবাট কেইটাৰ বাহিৰে অইন একোৱেই নাছিল। আধুনিক নহ'লেও ডাক সেৱাৰ ব্যৱস্থাটো কিন্তু কিছু পুৰণি। বাৰিষা কালত গোটেই অঞ্চলটো অইন অইন অঞ্চলৰ সতে বিচ্ছিন্ন হৈ পৰিছিল। ধৰ্ম তথা অতিথি-পৰায়ণ মায়ঙবাসী আৰ্থিক দিশতো আছিল অতিকৈ পিছপৰা। বাওধান, আহুধানৰ লগতে মৰাপাট, সৰিয়হ আদি আওপুৰণি কৃষি-পদ্ধতিৰে চলাই অহা হৈছিল। বেপাৰ বাণিজ্যতো অঞ্চলটো যথেষ্ট পিছপৰা আছিল। স্বাভাৱিকতে অঞ্চলবাসী ৰাইজে দুৰ্ভিক্ষক আকোঁৱালি ল'ব লগা হৈছিল। সু-চিকিৎসাৰ সুবিধা নথকাত অঞ্চলবাসীয়ে বাৰুকৈ কষ্ট ভুগিব লগা হৈছিল। এনেদৰে কৈ থাকিলে ওৰকে নপৰা দুখৰ দিন অতিবাহিত কৰা মায়ঙবাসীয়ে অতীতৰ সেই দিনবোৰক 'কলা অধ্যায়' (Black Chapter) আখ্যা দিব খোজে কিয়নো বৰ্তমানত অঞ্চলটো যথেষ্ট চহকী তথা উন্নত। উন্নত জাতৰ বৰোধানৰ আৱিষ্কাৰে অঞ্চলটোত আশাৰ বেঙনি আনি দিয়ে। আধুনিক যন্ত্ৰপাতিৰে আধুনিক পদ্ধতিত কৃষিকাৰ্য আৰম্ভ কৰা হ'ল। বাট-পথৰ উন্নতিৰ লগে লগে কৃষকসকলে ৰাহি শস্যবোৰ এতিয়া অঞ্চলটোৰ বাহিৰত বিক্ৰী কৰিব পৰা সুবিধা হ'ল। লগে লগে ব্যৱসায়-বাণিজ্যও বাঢ়ি গ'ল।

তন্ত্ৰ-মন্ত্ৰৰে প্ৰসিদ্ধ যাদুৰ দেশ মায়ং অঞ্চলৰ লোক বৰ্তমান প্ৰধান জীৱিকা হ'ল কৃষি। অঞ্চলটোৰ প্ৰধা কৃষিজাত দ্ৰব্যবোৰৰ ভিতৰত ধান, সৰিয়হ, মৰাপাট, বাদা ধনীয়া, মাকৈ, নাৰিকল, তামোল, পান, কুঁহিয়াৰ, বিভি ধৰণৰ ফল-মূলৰ লগতে শাক-পাচলিয়ে প্ৰধান। গোটে অঞ্চলটো বান-প্লাৱিত হোৱা বাবে শস্য উৎপাদনত চহকী বানপানী অঞ্চলটোৰ বাবে যেনেদৰে আশীৰ্বাদ স্বৰূ তেনেদৰে সময়ত ই অভিশাপ হিচাপেও চিহ্নিত হৈ আহিছে। বানপানীয়ে পলস পেলাই কৃষিভূমি সাৰুৱা কৰে গতিকে ই আশীৰ্বাদ। আনহাতে অবতৰীয়া বানে শস্য পথা বুৰাই অঞ্চলটোৰ কৃষকক কঙাল কৰাৰ উদাহৰণো বিৰ নহয়। গতিকে ই অভিশাপ। সি যি কি নহওঁক, মায় অঞ্চলটো বান বিধস্ত হোৱা বাবে প্ৰাকৃতিকভাৱে মা উৎপাদনতো চহকী। অঞ্চলটোৰ কিছুসংখ্যক লোক মাছধৰা প্ৰধান জীৱিকা। মায়ঙৰ ঘাই বাট-পথবোৰ উন্ন (পকা) হোৱাৰ লগে লগে অঞ্চলটোত থকা পবিত অভয়াৰণ্যলৈ অসম গৌৰৱ এশিঙীয়া গড় আৰু বিভি ধৰণৰ চৰাই চিৰিকতি চাবলৈ অহা দেশী-বিদেশী পৰ্যটক সংখ্যা বাঢ়ি অহাত ইয়াত হোটেল ব্যৱসায় নতুনকৈ গ লোৱাত সহায়ক হৈছে। অঞ্চলটোৰ কিছু সংখ্যক লোক প্ৰধান জীৱিকা বেপাৰ-বাণিজ্য হিচাপেও চিহ্নিত হৈছে

অসমৰ বিভিন্ন ঠাইত শালি খেতিয়ে প্ৰধান্য লা কৰিলেও মায়ং অঞ্চলৰ লোকৰ প্ৰধান কৃষি বৰো ধানহে এই খেতি পুহ-মাঘ মাহত ৰুই ব'হাগ-জেঠ মাহত চপো হয়। এই বতৰত ৰোপণ কৰা ধানসমূহৰ ভিতৰত উন্ন জাতৰ ধান যেনে— ৰঞ্জিত, পংকজ, আই-আৰ ৮ চিলাৰাই, বিপ্লৱ আদিয়ে প্ৰধান। বৰোধান উৎপাদনত অঞ্চলটো চহকী যদিও এই কৃষি বৰ ব্যয়বহুল। এনে ধৰণৰ কৃষিত ৰাসায়নিক সাৰ, কীট-পতংগ নাশক দৰৱ, কৃত্ৰিম জলসিঞ্চন আদিৰ প্ৰয়োজন হয়। বৰ্তমানৰ ৰাসায়নিক সাৰ তথা কীট-পতংগ নাশক দৰৱৰ উৰ্দ্ধমুখী দামে অঞ্চলটোৰ কৃষকসকলক জুৰুলা কৰি আহিছে। কৃত্ৰিম জলসিঞ্চনৰ বাবে চৰকাৰীভাৱে এখন মাত্ৰ আঁচনি থকাত অঞ্চলটোৰ কৃষকসকলে নিজাববীয়াকৈ জলসিঞ্চনৰ ব্যৱস্থা কৰিবলগীয়া হৈছে, যিটো যথেষ্ট ব্যয়বহুল। উপান্ত কৃষক তথা ক্ষুদ্ৰ কৃষকৰ বাবে ব্যয়বহুল আঁচনি কেতিয়াও ফলপ্ৰসু হ'ব নোৱাৰে। সেয়েহে গোটেই অঞ্চলটোক সামৰি কেবাটাও চৰকাৰী পৰ্যায়ত জলসিঞ্চন আঁচনি থকাটো প্ৰয়োজনীয়। ধান এনে এবিধ কৃষি যাৰ গুৰিত পানী জমা হৈ থাকিলেও ধান গছ মৰি নাযায়। বৰং এনে ব্যৱস্থা কৰিলে ধান গছৰ শ্ৰীবৃদ্ধিহে হয়। গতিকে এনে কৃষিকাৰ্যৰ বাবে জলসিঞ্চন অতিকৈ প্ৰয়োজনীয়।

বৰো ধানৰ কৃষি কাৰ্যৰ লগত জড়িত আন এটা প্ৰধান সমস্যা হৈছে কিনা-বেচাৰ সমস্যা। মুৰৰ ঘাম মাটিত পেলাই উৎপাদন কৰা শস্যখিনি উচিত মূল্যত বিক্ৰী কৰিবলৈ অঞ্চলটোত কোনো নিয়ন্ত্ৰিত বজাৰ নথকাত কৃষকসকলে কম দৰতে শস্যবোৰ বিক্ৰী কৰি লোকচানৰ সম্মুখীন হৈ আহিছে। বেছিভাগ কৃষকেই দুখীয়া হোৱা বাবে শস্যবোৰ সাঁচি ৰাখি উচিত মূল্যত বিক্ৰী কৰিবলৈ অপাৰগ। এইক্ষেত্ৰত অঞ্চলটোত থকা বেংক ব্যৱসায়ৰ ভূমিকাও যথেষ্ট উল্লেখনীয় হোৱাৰ প্ৰয়োজন আছে। মুদ্ৰাস্ফীতিৰ লগে লগে শ্ৰমিকৰ মজুৰি বৃদ্ধিয়েও বৰো ধানৰ কৃষিত বাধাৰ সৃষ্টি কৰি আহিছে। বৰো ধানৰ কৃষিত ধান ৰোৱা, নিৰনী দিয়া, ধান চপোৱা কাৰ্যত যথেষ্ট সংখ্যক শ্ৰমিকৰ প্ৰয়োজন হয়। শ্ৰমিকৰ মজুৰি বৃদ্ধিয়ে ধানৰ উৎপাদন ব্যয় বৃদ্ধি কৰে। তেনেক্ষেত্ৰত ধানৰ বিক্ৰী দৰ কম হ'লে কৃষকে লোকচান ভৰিবলগীয়া হয়।

চৰকাৰীভাৱে গুৰুত্ব পালে অঞ্চলটোৰ বৰো ধানৰ কৃষি নিশ্চয় ফলপ্ৰসু হ'ব বুলি ভাবিব পাৰি। মায়ং আঞ্চলিক মহাবিদ্যালয় এনে এটি কৃষি ভিত্তিক অঞ্চলতে, কৃষিজীৱী লোকৰ যত্নত গঢ় লোৱা অঞ্চলটোৰ একমাত্ৰ উচ্চ শিক্ষাৰ কেন্দ্ৰ। ১৯৯২ চনতে ৰাইজৰ সহযোগত স্থাপিত হোৱা মহাবিদ্যালয়খন ২০১৩ বৰ্ষত কেইটামান পদ প্ৰাদেশীকৰণৰ জৰিয়তে মহাবিদ্যালয়খন প্ৰাদেশীকৰণ হয়। ইয়াত কলা বিভাগৰ অসমীয়া, ৰাজনীতি বিজ্ঞান, শিক্ষা, বুৰঞ্জী আৰু অৰ্থবিজ্ঞান প্ৰধান বিষয় হিচাপে লৈ স্নাতক ডিগ্ৰী লোৱাৰ ব্যৱস্থা আছে। মহাবিদ্যালয়খনে বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা ২(এফ) আৰু ১২(বি) স্বীকৃতি লাভ কৰিবলৈও সক্ষম হৈছে। বৰ্তমান ইয়াত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৫৪৭ জন। ভৱিষ্যতে এই সংখ্যা বৃদ্ধিৰ সম্পূৰ্ণ আশা আছে। বিগত বছৰবোৰত কেবাগৰাকী ছাত্ৰ-ছাত্ৰীয়ে প্ৰধান বিষয়ত প্ৰথম শ্ৰেণীত উত্তীৰ্ণ হ'বলৈ সক্ষম হৈছে।

কৃষিজীৱী মায়ঙবাসীয়ে নিজৰ ল'ৰা-ছোৱালীক নগৰৰ মহাবিদ্যালয়ত বৰ্ধিত খৰছত নপঠায় গাঁৱতে নিজৰ ল'ৰা-ছোৱালীক উচ্চ শিক্ষা দিয়াৰ মানসেৰে স্থাপন কৰা মহাবিদ্যালয়ত পঢ়ি নিজৰ নিজৰ আশাবোৰ পূৰ কৰি মহাবিদ্যালয়ৰ সুনাম বৃদ্ধি কৰিলেহে কৃষিজীৱী মায়ঙবাসী গৌৰৱবোধ কৰিব। বৰ্তমান নগৰৰ ছাত্ৰ-ছাত্ৰীয়েও মায়ং আঞ্চলিক মহাবিদ্যালয়লৈ ঢাপলি মেলিছে যদিও ইয়াত গাঁৱৰ দুখীয়া লোকৰ ছাত্ৰ-ছাত্ৰীয়ে অধিক। ■

> সকলো মানুহৰ স্বভাৱ একে। কেৱল অভ্যাসবোৰেই মানুহৰ মাজত বিভিন্নতাৰ সৃষ্টি কৰে।
> —কনফুচিয়াচ

# জীৱনবোধ

শ্ৰীলুনাশ্ৰী কলিত
প্ৰাক্তন ছাত্ৰ

জীৱন মানে এক মহা সংগ্ৰাম। জীয়াই থাকিবৰ কাৰণে সংগ্ৰাম কৰাটো প্ৰকৃতিৰ সকলো ক্ষেত্ৰতে বিদ্যমান। মানুহৰ জীৱন যাত্ৰাত বহুতো সংগ্ৰাম আছে। 'জীৱন গঢ়াৰ প্ৰস্তুতি' নামৰ গ্ৰন্থখনিত হেমপ্ৰভাই কোৱাৰ দৰে - 'ধুমুহাই পোতন নোহোৱা গছ এজোপা ভাঙি-চিঙি উভালি লৈ যায় সঁচা। কিন্তু যি গছৰ শিপা বহুত তললৈ গ'ল, যি গছৰ ডাল মজবুত তাকতো ভাঙিব পৰা নাই, তাতোকৈ ডাঙৰ কথা হ'ল -ধুমুহাই পোতনহীন উদণ্ড গছকহে ধাৰাশায়ী কৰিব পাৰে, দুৱৰি বনক নোৱাৰে।' দুৱৰিৰ দৰে যদি নম্ৰ হ'বলৈ শিকা, ধুমুহা পাৰহৈ যাব কোনো ক্ষতি নকৰাকৈ। কাম, ক্ৰোধ ইত্যাদিৰ বেগ আহোতে তুমি লৰচৰ নকৰিবা। হাত, ভৰি, চকু, কাণ, ওঁঠ, জিভা সকলোকে স্থিৰ কৰি দিয়া। ঈশ্বৰক স্মৰণ কৰা, দেখিবা বহুতো বাধা-বিঘিনি অতিক্ৰম কৰি নিজৰ লক্ষ্যত উপনীত হোৱাজনেই হ'ল পূৰ্ণ মানুহ।

এই পৃথিৱীত জীৱ শ্ৰেষ্ঠ হ'ল মানুহ। মানুহৰ জ্ঞান, বিকাশ, বিচাৰ-বুদ্ধি সকলো আছে, আন জীৱবোৰৰ নাই। জীৱনৰ সোঁতত খোজ মিলাই যিয়ে চলিব পাৰিছে সেইজনে বুজি পাইছে জীৱনটো কি? জীৱনৰ সোঁতত খোজ মিলাই চলা মানুহজনে সমাজৰ পৰা বিশৃংখল দুৰ্নীতি, কুসংস্কাৰ, অন্ধবিশ্বাস আদি আঁতৰ কৰি ভ্ৰাতৃত্বৰ আদৰ্শৰে জগতবাসীক উদ্বুদ্ধ কৰাটোৱেই তেওঁলোক জীৱনৰ লক্ষ্য। কিছুমান মানুহে ভবাৰ দৰে জীৱন ইম সহজ-সৰল নহয়। জীৱনত বহুতো জটিলতা আছে। 'মবি ছেনেভ'কে কোৱাৰ দৰে - 'মানুহে যি বিচাৰে তাে পোৱাটোৱেই জীৱন নহয়।' জীৱনৰ নিশ্চয় তাতোকৈ ডাঙ অৰ্থ বা উদ্দেশ্য আছে। জীৱন বাটত বাট বোলোতে মাে সময়ে অতীতত এৰি অহা দীৰ্ঘ পথটোৰ কথা মনত পৰে লাগিলে সেই পথটো সোণোৱালী নাইবা দুৰ্গম কাইটীয়া হওঁক। জীৱনত সকলো কামতে মানুহ আগুৱাই যাব লাগে জীৱনত জয় হোৱাটোৱেই আচল কথা নহয়, হাৰি হা আগুৱাই যোৱাটো আচল কথা।

অতীতত এৰি অহা কিছুমান সোণোৱালী সপো আকৌ পাবৰ কাৰণে ইচ্ছা হয় আৰু কিছুমান সপো স্মৃতিপটত ভাঁহিলে অনুতাপ কৰা হয়।

অতীতত হোৱা সকলো ঘটনা বা কাহিনী পাহ যাব নালাগে। কিয়নো অতীতৰ কিছুমান সুবাস স্মৃতি সোণোৱালী সপোন বাস্তৱত পৰিণত কৰিব পাৰে অতীতত ঘটি যোৱা কিছুমান ঘটনাই অতীতৰ প্ৰতি বিৰক্তি জন্মায় আৰু কিছুমান ঘটনাই অতীতৰ প্ৰতি মোহ জন্মায় বিৰক্তিৰ কথাবোৰ বাদ দি অন্য দুই এক অতীত স্মৃতি মানুহক জীৱন গঢ়াত সহায় কৰে। ■

> সত্যই যেতিয়া ভ্ৰমণৰ বাবে জোতা পিন্ধি থাকে, তেতিয়া অসত্যই পৃথিৱীখনৰ আধাপাক মৰিয়াই আহে।
>
> — মাৰ্ক টোৱেইন।



# মানৱ সমাজত প্ৰেমৰ প্ৰভাৱ

শ্ৰীনিকুঞ্জ মণ্ডল
স্নাতক তৃতীয় ষাণ্মাসিক

মানৱ সমাজত প্ৰেম পৰম্পৰাগতভাৱে চলি অহা এক সহজাত প্ৰক্ৰিয়া। ই জন্মগত হ'লেও জন্মৰ সময়ত এইবোৰ সুপ্ত অৱস্থাত থাকে। প্ৰেম গঢ়ি তুলিবলৈ কোনো শিক্ষা-দীক্ষা অথবা অভিজ্ঞতাৰ প্ৰয়োজন নহয়। প্ৰেমৰ বিষয়ে সকলোৰে কম-বেছি পৰিমাণে ধাৰণা থাকে। কাৰণ ই এক সহজাত প্ৰবৃত্তি। প্ৰেম সহজাত আচৰণ হোৱা বাবে ইয়াক সম্পন্ন কৰিবৰ বাবে প্ৰাণীয়ে জন্মগত এক শক্তি বা প্ৰৱণতা লৈ আহে।

প্ৰেমৰ প্ৰভাৱ বিলোচনাত দুই প্ৰকাৰৰ। এই দুই প্ৰকাৰৰ প্ৰভাৱ হ'ল — (ক) প্ৰেমৰ সু-প্ৰভাৱ আৰু (খ) প্ৰেমৰ কু-প্ৰভাৱ।

**(ক) প্ৰেমত সু-প্ৰভাৱ ঃ** যুৱক-যুৱতীসকলে বহুমুখী প্ৰতিভাৰ দ্বাৰা সৰ্বতোপ্ৰকাৰে শিক্ষিত হৈ কাম কৰাৰ অভিজ্ঞতা অৰ্জনৰ লগতে বংশৰ গতি অব্যাহত কৰোতে যি প্ৰভাৱে বিস্তাৰ কৰা দেখা যায় সেয়ে হৈছে প্ৰেমৰ সু-প্ৰভাৱ।

**(খ) প্ৰেমৰ কু-প্ৰভাৱ ঃ** যুৱক-যুৱতীসকলে যদি বহুমুখী প্ৰতিভাৰ দ্বাৰা শিক্ষিত নোহোৱাকৈ দুষ্ট লোকৰ সৈতে যৌন তৃপ্তিৰ কাৰণে ব্যাভিচাৰী হৈ কোনো বাধা-বিঘিনি নামানি পলায় গৈ প্ৰেমত প্ৰৱেশ কৰিলে সংসাৰ জীৱনত যি সমস্যা দেখা যায় সেয়ে প্ৰেমৰ কু-প্ৰভাৱ।

প্ৰেমৰ সম্পূৰ্ণকৈ কোনো এটা সংজ্ঞা দিব নোৱাৰি। প্ৰেম কি এই বিষয়ে কেৱল আলোচনা-বিলোচনা কৰিব পাৰি। অতীতৰে পৰা এতিয়ালৈকে প্ৰেমত ব্যৰ্থ হৈ বিজয়ী হোৱা প্ৰেমিক-প্ৰেমিকাসকলে বিভিন্ন সময়ত বিভিন্ন সংজ্ঞা আগবঢ়াইছে। এই সংজ্ঞাবোৰৰ পৰা কোনো এটা সংজ্ঞা স্বয়ং সম্পূৰ্ণ সংজ্ঞা ৰূপে গ্ৰহণ কৰিব পৰা নাযায়; কাৰণ প্ৰেমৰ পৰিধি ইমানেই বিস্তৃত আৰু ইয়াৰ প্ৰকৃতি ইমানেই বিচিত্ৰ যে একোটা সংজ্ঞাৰ মাজত প্ৰেমৰ সকলোখিনি বৈশিষ্ট্য অন্তৰ্ভুক্ত কৰাটো সম্ভৱ নহয়। সাধাৰণতে বিভিন্ন প্ৰেমিক-প্ৰেমিকাক অনুসৰণ কৰিলে দেখা যায় - প্ৰেমিক-প্ৰেমিকাই আহোতে-যাওঁতে, দেখা-দেখি হওঁতে সিহঁতৰ হৃদয়ৰ ভাৱ-কল্পনাই ভাষাৰ মাধ্যমেদি প্ৰকাশ লাভ কৰে যেতিয়া উভয়ে উভয়ৰ আপোন হয় তাৰ পৰাই প্ৰেমৰ সৃষ্টি হয়।

**যুৱক-যুৱতীৰ ওপৰত প্ৰেমৰ কু-প্ৰভাৱসমূহ ঃ**

(ক) যৌৱনকাল আৰম্ভ হোৱাৰ লগে লগে ল'ৰা-ছোৱালীৰ মাজত যৌন তৃপ্তিৰ চেতনা জাগি উঠাত প্ৰৱল হেঁপাহৰ সৃষ্টি কৰি যৌন সংক্ৰান্তীয় কথাত সমস্যাৰ সৃষ্টি কৰে।

(খ) প্ৰেমত কু-প্ৰভাৱৰ দ্বাৰা বলি হৈ প্ৰেমিক-প্ৰেমিকাই সকলো এৰি আপোন হয় আৰু জন্ম দিয়া মা-দেউতা, ভাই-ভনীকো পাহৰি পেলায়।

(গ) যুৱক-যুৱতীসকলে নিজৰ সুস্থ মনেৰে বিচাৰ-বিবেচনা নকৰাত বেয়া সংগত পৰি কম বয়সতে বিয়া পতাৰ ফলত প্ৰেমৰ কু-প্ৰভাৱে সিহঁতক বিভিন্ন সমস্যাত পেলায়।

(ঘ) প্ৰেমৰ কু-প্ৰভাৱে যুৱক-যুৱতীসকলক বিভিন্ন অশ্লীল দৃশ্যৰ ছবিসমূহ চোৱাৰ প্ৰতি প্ৰবল হেঁপাহৰ সৃষ্টি কৰি যৌন তৃপ্তিৰ কাৰণে আকৃষ্ট কৰি তোলে।

(ঙ) ল'ৰা-ছোৱালীয়ে নিজৰ বিচাৰ-বিবেচনাৰ দ্বাৰা ম'বাইলৰ সৎ ব্যৱহাৰ নকৰি বেছিভাগ সময় অপপ্ৰয়োগ কৰাৰ ফলত প্ৰেমৰ কু-প্ৰভাৱে

প্ৰভাম্বিত কৰে আৰু ল'ৰা-ছোৱলীবোৰে কম বয়সতে প্ৰেমত পৰে।

**যুৱক-যুৱতীৰ ওপৰত প্ৰেমৰ সু-প্ৰভাৱসমূহ ঃ**

(ক) প্ৰেমৰ সু-প্ৰভাৱে যৌৱন কালৰ শক্তিশালী যৌন প্ৰেৰণাই সুস্থ মনেৰে বিচাৰ-বিবেচনা কৰি সমাজৰ কল্যাণ হোৱা কাম কৰাত উৎসাহ যোগায়।

(খ) প্ৰবল যৌন প্ৰেৰণা চৰিতাৰ্থৰ পৰা যে কিমান অপকাৰ হ'ব পাৰে সেইকথা ভালদৰে বুজি লৈ যৌৱনকালৰ বহুতো সমস্যাৰ পৰা আঁতৰি থকাত প্ৰেমৰ সু-প্ৰভাৱে সহায় কৰে।

(গ) সমাজত কম বয়সতে ল'ৰা-ছোৱালীৰ মাজত বিয়া হোৱাৰ ফলত যি সমস্যাত ভুগিব লগা হয় তাৰ কুফলবোৰ বিচাৰ কৰি নিজকেই প্ৰৱল যৌন তৃপ্তিৰ পৰা আঁতৰাই ৰখাত প্ৰেমৰ সু-প্ৰভাৱে সহায় কৰে।

(ঘ) যৌৱনকাল আৰম্ভ হোৱাৰ লগে লগে ল'ৰা-ছোৱালীবোৰ যৌন তৃপ্তিৰ কাৰণে এক প্ৰবল হেঁপাহৰ সৃষ্টি হয়। ইয়াৰ পৰা নিজকে আঁতৰাই ৰখাত নিজৰ মন নিয়ন্ত্ৰণ কৰাৰ বাবে প্ৰেমৰ সু-প্ৰভাৱে সহায় কৰে।

(ঙ) নিজৰ উৎপাৰ্জনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল নোহোৱালৈকে যৌৱনকালৰ শক্তিশালী যৌন তৃপ্তিৰ প্ৰেৰণাই যাতে ব্যভিচাৰী কৰিব নোৱাৰে, সেই ক্ষেত্ৰত প্ৰেমৰ সু-প্ৰভাৱে সহায় কৰে।

অতীতৰে পৰা বৰ্তমান সময়লৈকে প্ৰেমৰ সোঁত বৈ আহিছে আৰু ভৱিষ্যতলৈ বৈ থাকিব। সমাজত প্ৰেমৰ সু-প্ৰভাৱ আৰু কু-প্ৰভাৱসমূহৰ মাজেৰে যুৱক-যুৱতীসকলে প্ৰেমত প্ৰৱেশ কৰে। প্ৰেমত সু-প্ৰভাৱ বেছিকৈ উপভোগ কৰিব বিচাৰিলে প্ৰেমৰ কু-প্ৰভাৱৰ পৰিমাণ কমাব লাগিব। প্ৰেমত সু-প্ৰভাৱে যুৱক-যুৱতীসকলৰ মাজত ক্ষণস্থায়ীভাৱে আনন্দ দিয়ে আৰু কু-প্ৰভাৱে স্থায়ীভাৱে বেদনা দিয়ে।

সংসাৰত কম বয়সতে প্ৰৱেশ কৰি সংসাৰ চলোৱাত ব্যৰ্থ হোৱাৰ ফলত বিভিন্ন সমস্যাই মেৰিয়াই ধৰে আৰু তাৰ পৰা নানা ধৰণৰ অপকাৰ, দুখ-বেদনাসমূহৰ সম্মুখী হ'ব লগা হোৱাৰ বাবে প্ৰেমিক-প্ৰেমিকাই এসময়ত আত্মহত্যাৰ পথ বাচি লয়। এনে সমস্যাৰ পৰা হা সাৰিবলৈ হ'লে আত্মনিৰ্ভৰশীল হৈ সংসাৰত প্ৰৱেশ কৰি লাগে।

**কৈশোৰ কালত যুৱক-যুৱতীৰ প্ৰেম ঃ**

কৈশোৰ কাল হ'ল যুৱক যুৱতীৰ যৌন প্ৰবৃ পূৰ্ণবিকাশৰ সময়। এই সময়ছোৱাত যুৱক-যুৱতীস বিপৰীত লিংগৰ প্ৰতি আকৃষ্ট হোৱা দেখা যায়। যৌৱনকা আৰম্ভ হোৱাৰ লগে লগে ল'ৰা-ছোৱালীৰ মাজত যৌ তৃপ্তিৰ চেতনা জাগি উঠে। এই সময়ছোৱাত যুৱক যুৱতীসকল যৌন সম্বন্ধীয় বেয়া কথাৰ ৰসৰ প্ৰতি আ বিভিন্ন ধৰণৰ অশ্লীল দৃশ্যৰ ছবিসমূহ চোৱাৰ প্ৰতি প্ৰব হেঁপাহৰ সৃষ্টি হয়।

এইখিনিতে উল্লেখ কৰিবলগীয়া মহাত্মা গান্ধী ৰবীন্দ্ৰ নাথ ঠাকুৰ, ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ, ড° ভূপে হাজৰিকা, আব্ৰাহাম লিংকন, শংকৰদেৱ আদিৰ দ যিসকল ব্যক্তিয়ে সফলতাৰ ছিৰিৰে আগুৱাই আহি সফ ব্যক্তি হিচাপে পৰিগণিত হৈছে তেওঁলোকেও প্ৰথ অৱস্থাত প্ৰেম নকৰাকৈ জীৱনত উন্নতি কৰিব পৰা নাছি তেওঁলোকে যিখিনি কামৰ বাবে সফলতা পাইছে সেইখি প্ৰেমৰ মাজেদি গৈয়ে পাইছে। জীৱনত প্ৰেম ত্যাগ ক সফল ব্যক্তি হিচাপে পৰিগণিত হোৱাটো টান। সফল ব্যক্তি হোৱা কেইজনে প্ৰেমৰ উপস্থিতিতহে জীৱনত সফল হ' পাৰিছে।

এটা উদাহৰণৰ সহায়ত কথাখিনি বুজিব পাৰে ধৰি লোৱা হ'ল এখন ৰাজ্যৰ ৰজা বা মন্ত্ৰী হ'বলৈ কিব ব্যক্তিজনক দুই-এজনে বেয়া পাবই। ৰাজ্যৰ কোনো এজ প্ৰজাই বা নাগৰিকে বেয়া নোপোৱাকৈ কোনেও ৰজা মন্ত্ৰী হ'ব নোৱাৰে। ৰজা বা মন্ত্ৰী হ'বলৈ হ'লে দুই-এজ বেয়া পোৱা প্ৰজা বা নাগৰিকৰ উপস্থিতিতহে হ'ব পৰা যায়। অৰ্থাৎ কোনো এটা অতি ভাল কাম কৰিবলৈ হ'লে অলপ-চলপ বেয়া কামৰ উপস্থিতিতহে সেই কামটো কৰি পৰা যায়। সেইদৰে কৈশোৰ কালত প্ৰেম ত্যাগ কৰি কোনো কামত সফলতা পোৱাটো টান।



**যুৱক-যুৱতীৰ প্ৰেম নিয়ন্ত্ৰণৰ উপায় ঃ** প্ৰেম কাৰ্যত দেখা দিয়া বেয়া ৰস আৰু কু-প্ৰভাৱসমূহ আঁতৰাবলৈ কৈশোৰ কালত প্ৰেম নিয়ন্ত্ৰণৰ প্ৰয়োজন হয়। প্ৰেম নিয়ন্ত্ৰণ দুই প্ৰকাৰে কৰিব পৰা যায়। (ক) প্ৰেম নিয়ন্ত্ৰণত মনৰ চৰ্ত আৰু (খ) প্ৰেম নিয়ন্ত্ৰণৰ দৰকাৰী টিপছ। তলত এইবোৰৰ বিষয়ে চমুকৈ উল্লেখ কৰা হ'ল—

*(ক) প্ৰেম নিয়ন্ত্ৰণত মনৰ চৰ্ত ঃ* মনৰ চৰ্ত হ'ল এনেকুৱা চৰ্ত যিটোৱে কৈশোৰকালত প্ৰেম ত্যাগ কৰিবলৈ আমাৰ মনত উৎসাহ যোগায়। তলত কেইটামান চৰ্ত উল্লেখ কৰা হ'ল ঃ-

১। মনতে ভাবি চাব লাগে, এহাল যুৱক-যুৱতীয়ে কৈশোৰকালত প্ৰথমৰ পৰাই বহু বছৰ ধৰি ভালপোৱাৰ পিছত যদি কিবা কাৰণত দুৰ্ঘটনা বা বেমাৰী হৈ স্বাস্থ্য দেখাত বেয়া হয়। তেতিয়া ইজনে-সিজনক ভাল পোৱাটো বিচ্ছেদ হৈ পৰে অৰ্থাৎ বিয়া নপতা হয়। সেই সময়ত যি অভিশাপ দিয়া দেখা যায় সেইটো ভৱিষ্যত জীৱনটোৰ কাৰণে স্থায়ী বেদনা হৈ পৰে।

২। এজন যুৱকে যদি নিজৰ পচন্দ অনুসৰি মনেপ্ৰাণে ভালপায় প্ৰেম কাৰ্য চলাই থাকে। কিন্তু যুৱকজনে যদি কোনো ঠাইত পূজা-মেলা চবলৈ গৈ, নগৰ-চহৰত গৈ অথবা ভ্ৰমণ কৰিবলৈ গৈ যদি তাতোকৈ ধুনীয়া ছোৱালীক লগ পায় তেতিয়া যুৱকজনে আগৰ প্ৰেমিকাজনীক লৈ মনে মনে প্ৰস্তাৱ দেখা যায়। যুৱকজনে যিমান ঠায়ে ঠায়ে ঘূৰি ফুৰে সিমানে তাতোকৈ ধুনীয়া ধুনীয়া ছোৱালী দেখি তেওঁৰ মনত এনেকুৱা ভাৱ উদয় হয়; "মই কিয় সেইজনীক আগতেই ভাল পালো? ভাল নোপোৱা হ'লেতো এতিয়া মই নতুনকৈ ভালপোৱাৰ সুযোগ পালোহেঁতেন।"

৩। যেতিয়াই প্ৰেম কৰিবলৈ মন যায় তেতিয়াই আমি মনে মনে প্ৰেম কৰাৰ আগতেই ভাবি চাব লাগে, প্ৰেম কৰিলে মই কিমান সন্তুষ্টি পাম আৰু প্ৰেম কৰিবলৈ গৈ ধৰা পৰিলে আনৰ পৰা কিমান অসন্তুষ্টি পাম আৰু চৰিত্ৰ নষ্ট হোৱাৰ কথা মনতেই বিবেচনা কৰিব লাগে।

৪। আমি আমাৰ বিবেচনাৰে বুজি পোৱা উচিত যে স্কুল-কলেজত ল'ৰাই ছোৱালী বা ছোৱালীয়ে ল'ৰাক পচন্দ কৰি প্ৰেম কৰিবৰ বাবে মা-দেউতাই কেতিয়াও খৰচ বহন নকৰে। সেয়ে পৰস্পৰে পৰস্পৰক পচন্দ কৰিলেও প্ৰেম কৰাৰ কোনো উপায় নাই। কাৰণ মানুহৰ চেহেৰা উঠা-নমা কৰা অসাধাৰণ কথা নহয়। সেয়ে প্ৰেম কৰাৰ উদ্দেশ্য পচন্দ কাৰ্য এৰাই চলাই উত্তম। এজনক কেইবাজনে ভাল পাই প্ৰেম কৰিলেও উপায় নাই সংসাৰ পতাৰ। কাৰণ ভালপোৱা সকলোৰে লগত সংসাৰ পতা সম্ভৱ নহয়।

৫। কৈশোৰ কালত প্ৰেমৰ পৰা ৰেহাই পাবলৈ হ'লে আমি আমাৰ মূল্যৱান সময়বোৰ কল্যান হোৱা কামৰ মাজেৰে কটাব লাগিব।

৬। বেয়া কামৰ ৰস বেছি বুলি ভাবি বহুতেই কম বয়সত প্ৰেমৰ পাকচক্ৰত পৰি বিয়া পতাৰ ফলত লক্ষ্য নষ্ট হৈ পৰে আৰু 'কিয় কম বয়সতেই বিয়া পাতিলো' বুলি অনুশোচনা কৰা দেখা যায়।

*(খ) প্ৰেম নিয়ন্ত্ৰণৰ দৰকাৰী টিপচ ঃ* প্ৰেম নিয়ন্ত্ৰণ কৰিবৰ বাবে আমি তলত উল্লেখ কৰা টিপচবোৰ মনোযোগেৰে পঢ়া উচিত। প্ৰেমিকে প্ৰেমিকাক দেখিলেই আনন্দ পায় আৰু কাজিয়া লগাৰ সময়ত প্ৰেমিকে প্ৰেমিকাক দেখিলেই বেদনা পায়। প্ৰেমৰ নামত মাথোন নষ্ট হয় টকাৰ বিভিন্ন বিকল্প ব্যৱহাৰৰ সুযোগ আৰু নষ্ট হয় সময়ৰ বিকল্প কাম।

১। কৈশোৰকালত প্ৰেম কৰি কেইবা বছৰ পিছত বহুতেই কোৱা দেখা যায় যে প্ৰেম কৰি অইন কোনো উন্নতি নহ'ল। কৈশোৰকালত প্ৰেম কৰি যদি কোনো লাভেই নাই তেনেহ'লে আমি ইয়াৰ ঠাইত অইন এনে এটা কাম কৰা উচিত যি নেকি সমাজৰ সহায় কৰিব পাৰে।

২। আজিকালি দেখা যায় ল'ৰাই হওক বা ছোৱালীয়েই নহওক কিয়, কমেও একেলগে কেইবাজনৰ

লগত মনে-প্ৰাণে প্ৰেম কৰি থাকে আৰু আন আন ভালপোৱাজনক ঠগ-প্ৰৱঞ্চনা কৰি এটা নিৰ্দিষ্ট সময়ত আন এজনৰ লগত গুচি যায়।

কৈশোৰ কালত প্ৰেমৰ পৰা ৰেহাই পোৱা একেবাৰে সহজ কথা নহয়। ইয়াৰ পৰা ৰেহাই পাবৰ বাবে বিভিন্ন ধৰণৰ কৌশল প্ৰয়োগ কৰিও প্ৰেমক এৰাই চলিব নোৱাৰি। ইয়াৰ উপায় বিভিন্ন ব্যক্তিয়ে বিভিন্ন ধৰণেৰে আঙুলিয়াই দিছে। কিন্তু এইবোৰ পঢ়িও বা আনৰ পৰা শুনিও প্ৰেম নকৰাকৈ থাকিব নোৱাৰি।

প্ৰেমৰ পৰা ৰক্ষা পাবৰ উপায় হৈছে নিজকে সমাজৰ এজন ৪০ বছৰীয়া জ্ঞানৰ অভিজ্ঞতাৰ ভঁৰাল হিচাপে কাম কৰা লোক হিচাপে ধৰি লোৱা। কৈশোৰ কালত যৌন তৃপ্তিৰ হেঁপাহৰ সৃষ্টি কৰা এই সময়ছোৱাত তুমি কৰিব খোজা কামৰ পৰা যাতে সমাজৰ উপকাৰ হয় এনে কামবোৰ কৰি গ'লে অৱশ্যেই কৈশোৰ কালত প্ৰেমৰ পৰা ৰেহাই পোৱা সহজ হ'ব।

আমাৰ জীৱনটো ইমানেই চুটি যে আমি নিজে যিকোনো কাম ভুল কৰি ঠেকি শিকা সময় নাই। গতিকে আমি আনৰ পৰা শিকি সাৱধান হৈ চলাই ভাল। ■

তোমাৰ নিজৰ মাজতে অন্তৰ্নিহিত হৈ থকা নীৰৱতাৰ সান্নিধ্য পাবলৈ চেষ্টা কৰা; আৰু বুজিবলৈ চেষ্টা কৰা। এই নীৰৱতাই তোমাক জনাব যে জীৱনৰ প্ৰতিটো কথাৰেই একোটা উদ্দেশ্য আছে।

— এলিজাবেথ কুবলাৰ ৰছ

✧ ★ ✧

হাঁহি মানুহৰ বিৰল সম্পদ। প্ৰকৃততে একমাত্ৰ মানুহেই হাঁহিব পাৰে।

— গ্ৰেভাইল



# বুভুক্ষা

মামনি ডেকা
স্নাতক, তৃতীয় যন্মাসিক

বিকাশ মানে কি? সু-উচ্চ অট্টালিকা, উন্নত ৰাস্তা-ঘাট নে জকমকীয়া জীৱন শৈলীত এক চকুত লগা পৰিৱৰ্তন? তথ্য প্ৰযুক্তিৰ এই ক্ষেত্ৰখনৰ উপযোগীকৈ আমি আমাৰ সন্তানক একোজন দক্ষ কৰ্মী হিচাপে গঢ়ি তুলিছো সঁচা। কিন্তু দক্ষ মানৱ সৃষ্টিৰ কথা ক'ব পাৰিম নে? পাৰিমনে আমি আজিৰ এই অন্যায়, অবিচাৰ, হত্যা, লুণ্ঠন, ধৰ্ষণ, গোষ্ঠী-সংঘৰ্ষ, আতংকৰ হৈ যুঁজ দিব? এতিয়া জীৱন আৰু মৃত্যু সকলো মুহূৰ্তৰ খেল। দিনটোলৈ বুলি ওলাই যোৱাজন সন্ধিয়া ঘূৰি আহিবনে? আহিলেও কি অৱস্থাত, তাৰ কোনো নিশ্চয়তা নাই। দুবেলা দুমুঠিৰ সন্ধানত ওলাই গৈও যদি বলি হ'ব লগা হয়, কোনো দুচক্ৰ বা কাৰোবাৰ লালসাৰ।

দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰৰ শিপাডাল মন্ত্ৰী-আমোলাৰ পৰা ঠেলাৱালা-ৰিক্সাৱালালৈকে শিপাইছে। কিন্তু বলি হয় কোন? এই খাঁটি খোৱাসকল। ইতিহাসৰ পাত উকলাই থকা সতী-মহাসতী, বীৰাংগনা নাৰীৰ অস্তিত্বক এচামে কবৰ দিলে।

অন্যায়, অবিচাৰৰ বলি হৈ হাতৰ মুঠিত আতংক লৈ এক অনিশ্চিত আৰু নিৰাপত্তাহীন জীৱনক লৈ থাই বৈ, পিন্ধি উৰি জীয়াই আছো তথাপি কিন্তু এইখন সমাজতে, আমাৰ ঠিক আশে-পাশেই আন এখন ব্যতিক্ৰমী ছবিও দেখা যায়। য'ত নেকি প্ৰতিনিয়ত চলিছে দুবেলা দুমুঠি যোগাৰৰ সংগ্ৰাম। 'বুভুক্ষা' যি সত্যৰ আগত লজ্জা, আব্রু, ন্যায়, সততা সকলো অৰ্থহীন। নাই কোনো সপোন, নাই কোনো তাড়না জীৱন গঢ়াৰ। দুসাজ আহাৰ আৰু কেইটিমান ধনৰ আশাত বিক্ৰী হয় য'ত 'মানৱীয় সত্তা'। দুসাজ খাই-পিন্ধি জীয়াই থকাৰ তাড়নাতে কেইটামান ধনৰ বাবত নিজ হাতেৰে পেটৰ কন্যা সন্তানকো তুলি দিয়ে আনৰ হাতত।

হয়তো এনেদৰেই চলি যাব আজিৰ সমাজ নতুবা গা কৰি উঠিব আকৌ নিত্য নতুন সমস্যা। সমাধান হ'বনে এই সমস্যাৰ? অন্যায়, অবিচাৰৰ বিৰুদ্ধে ঠিয় দিবনে কোনোবাই? জন্ম ল'বনে আকৌ কোনোবা সতী-মহাসতীয়ে? ■

যদি ভুল কৰাৰ স্বাধীনতা নাথাকে, তেনেহ'লে স্বাধীনতা লাভৰো অৰ্থ নাই।

— মহাত্মা গান্ধী